সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17

৩১ বছৰ,২৪ সংখ্যা, ৩১জেঠ, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 24 Date of Publication- 15 June 2025 Rs. 10.00/-

## আহমেদাবাদ ট্ৰেজেডীৰ আঁৰত তুৰস্কৰ ষড়যন্ত্ৰৰ অভিযোগ যোগ গুৰু ৰামদেৱৰ



ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় চৰকাৰে গুজৰাটৰ আহমেদাবাদত সংঘটিত এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাৰ তদন্ত কৰিবলৈ উচ্চ পৰ্যায়ৰ এখন কমিটী গঠন কৰি দিছে। ইয়াৰ মাজতে এই দুৰ্ঘটনাৰ কাৰণ সন্দৰ্ভত বিভিন্ন মহলত চলিছে আলোচনা। কেনেদৰে এয়াৰ ইণ্ডিয়াৰ এআই ১৭১ বিমানখন দুৰ্ঘটনাত পতিত হ'ল তাক লৈ প্ৰশ্নৰ অৱতাৰণা হৈছে বিভিন্ন মহলত। বিষয়টোক লৈ দেশজুৰি চৰ্চা চলি থকাৰ সময়তে এই বিমান দুৰ্ঘটনা যান্ত্ৰিক বিজুতিৰ বাবে সংঘটিত হৈছে নে এয়া এক কুটাঘাতী ঘাতী কাণ্ড তাক লৈও বিভিন্নজনে প্ৰশ্ন তুলিছে। যোগগুৰু ৰামদেৱে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতে চলোৱা অপাৰেচন সিন্দুৰৰ প্ৰতিশোধ ল'বলৈ পাকিস্তানৰ বন্ধু ৰাষ্ট্ৰ তুৰস্কই এই ঘটনা সংঘটিত কৰিছে বুলি বিস্ফোৰক অভিযোগ তুলিছে। লক্ষণীয়ভাৱে ৰামদেৱৰ অভিযোগ সন্দৰ্ভত চৰকাৰে কোনোধৰণৰ মন্তব্য আগবঢ়োৱা নাই যদিও এই দুৰ্ঘটনাত বিমানবন্দৰৰ গ্ৰাউণ্ড হেণ্ডলিং ষ্টাফৰ কৰ্মীসকলৰ ভূমিকা থকা বুলি সন্দেহ কৰা হৈছে। লক্ষণীয়ভাবে বিমানবন্দৰৰ গ্ৰাউণ্ড হেণ্ডলিং ষ্টাফত আছে তুৰস্কৰ কোম্পানী 'চেলেবী'ৰ কৰ্মীসকলো। এই কৰ্মীসকলক ঠিকাত অনা হৈছে বিমানৰ মেৰামতি আৰু অভিযান্ত্ৰিক সেৱাৰ বাবে। লক্ষণীয়ভাৱে এই কৰ্মীসকলে এআই ১৭১ বিমানখনৰো বিভিন্ন যান্ত্ৰিক দিশ চোৱাচিতা কৰিছিল। বিশেষকৈ উৰণৰ পূৰ্বে বিমানখন যাত্ৰাৰ বাবে উপযুক্ত হয় নে নহয় তাক পৰীক্ষা কৰি চোৱাৰ দায়িত্ব আছিল এই

(দহ পৃষ্ঠাত চাওক)

## মুখ্যমন্ত্ৰীৰ 'শ্বুট এট ছাইট'ৰ নিৰ্দেশৰ পাছতে ধুবুৰীত ৪০জনৰো অধিক অপৰাধী গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ঈদৰ পাছতে ধুবুৰী চহৰৰ হনুমান মন্দিৰৰ সন্মুখত নিষিদ্ধ মাংস পেলাই থৈ যোৱা ঘটনাক লৈ সৃষ্টি হোৱা সাম্প্ৰদায়িক পৰিৱেশ ৰুধিবলৈ ধুবুৰীত উপস্থিত হৈছিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। জিলাখনৰ পৰাই মুখ্যমন্ত্ৰী ড° শৰ্মাই স্পষ্ট কৰিছিল যে ধুবুৰীক বাংলাদেশ হ'বলৈ দিয়া নহ'ব। ধুবুৰীক অশান্ত কৰাসকলক দেখা মাত্ৰকে গুলীওৱা হ'ব। কাৰ্যতঃ মুখ্যমন্ত্ৰীয়ে আৰক্ষীক শ্বুট এট ছাইটৰ স্পষ্ট নিৰ্দেশ দিছিল। এই কঠোৰ নিৰ্দেশৰ পাছতে আৰক্ষীয়ে কঠোৰ অভিযান আৰম্ভ কৰিছে। নিশাৰ ভিতৰতে আৰক্ষীয়ে জিলাখনক

(দহ পৃষ্ঠাত চাওক)

## আদ্যশ্ৰাদ্ধত পিতৃৰ অভিযোগঃ চাৰি বন্ধুৱে মূৰত মৰিয়াই হত্যা কৰিছিল নম্ৰতাক



ৰঙিলী বাৰ্ত্তাসেৱা- যোৱা ৪ জুনত মেঘালয়ৰ নংপোত নিহত হোৱা অধিবক্তা নম্ৰতা বৰাৰ আদ্যশ্ৰাদ্ধৰ দিনাই বিস্ফোৰক অভিযোগ তুলিলে পিতৃ ৰমেন কুমাৰ বৰাই। সাংবাদিকৰ আগত পিতৃৰ স্পষ্ট অভিযোগ- ছোৱালীজনীয়ে মূৰত যথেষ্ট আঘাত পাইছিল। কিন্তু এয়া দুৰ্ঘটনা নহয়, হত্যাকাণ্ডহে। তাইক মূৰত বটলেৰে বা চোকা অস্ত্ৰৰে মাৰি হত্যা কৰিছিল ৪ বন্ধুৱে। উল্লেখ্য যে নম্ৰতা বৰাৰ মৃত্যুক লৈ চলি থকা চৰ্চাৰ মাজতে বোকাখাতৰ কমাৰগাঁও অঞ্চলৰ ধোদাং গাঁৱৰ বাসগৃহত পৰিয়ালে আয়োজন কৰে আদ্যশ্ৰাদ্ধৰ। পিতৃ ৰমেন কুমাৰ বৰাই নিজৰ কন্যাৰ মৃত্যুক লৈ আজিও দুখ প্ৰকাশ কৰি

(দহ পৃষ্ঠাত চাওক)

## ২৭ বছৰীয়া অপেক্ষাৰ অৱসানঃবিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ খিতাপ জয় দক্ষিণ আফ্ৰিক

ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত শাপমুক্ত হ'ল দক্ষিণ আফ্ৰিকা। সুদীৰ্ঘ ২৭ বছৰৰ পাছত দক্ষিণ আফ্ৰিকাই জয় কৰিলে আইচিচিৰ ট্ৰফী। এই সুদীৰ্ঘ সময়ত কেইবাবাৰো দলটোৱে আই চি চিৰ কেইবাখনো মেগা ইভেণ্টত ট্ৰফীৰ কাষ চাপিছিলি যদিও সেই ট্ৰফী হাতত তুলি লোৱাৰ সুযোগৰ পৰা বঞ্চিত হৈছিল। এই সুদীৰ্ঘ সময়ত দলটোৱে আইচিচিৰ কেইবাখনো মেগা প্ৰতিযোগিতাৰ ট্ৰফীৰ কাষ চাপিও ট্ৰফী হাতত তুলি লোৱাৰ সুযোগৰ পৰা বঞ্চিত হৈছিল। ১৪ জুন ২০২৫ চনত ক্ৰিকেটৰ মক্কা স্বৰূপ লৰ্ডছত আহিল সেই মাহেন্দ্ৰ ক্ষণ। ডিফেণ্ডিং চেম্পিয়ন অষ্ট্ৰেলিয়াক পৰাস্ত কৰি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত চেম্পিয়ন হ'ল প্ৰটিয়াজ বাহিনী। অন্ত পৰিল ২৭ বছৰীয়া শূন্যতা। বৰ্ণ বৈষম্য নীতিৰ বাবে ২১ বছৰ নিৰ্বাসনত থকা



দক্ষিণ আফ্ৰিকা পুনৰ উভতি আহি ১৯৯৮ চনত চেম্পিয়নছ ট্ৰফী লাভ কৰিছিল যদিও বিশ্ব ক্ৰিকেটত খ্যাতি অৰ্জন কৰিব পৰা নাছিল। অৱশেষত টেম্বা বাভুমাৰ নেতৃত্বত দক্ষিণ আফ্ৰিকাই সুদীৰ্ঘ ২৭ বছৰে সহি অহা বদনামৰ পৰা মুক্তি লাভ কৰে। লৰ্ডছত অনুষ্ঠিত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখনৰ তৃতীয় দিনাই

(দহ পৃষ্ঠাত চাওক)

# ধুবুৰীত আইন-শৃংখলা পৰিস্থিতিক লৈ বৈঠক মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্তাসেৱা- ধুবুৰী চহৰৰ ৩নং ৱাৰ্ডৰ হনুমান মন্দিৰ চৌহদৰ ভিতৰত শেহতীয়াকৈ নিষিদ্ধ মাংস উদ্ধাৰ হোৱা ঘটনা সন্দৰ্ভত সৃষ্টি হোৱা উত্তেজনা তথা অপ্ৰীতিকৰ পৰিস্থিতিৰ বুজ ল'বলৈ ধুবুৰী জিলাত উপস্থিত হয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। নিষিদ্ধ মাংস কটাক লৈ সৃষ্টি হোৱা উত্তেজনাৰ বিষয়টোক লৈয়ে জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়াৰ সৈতে ধুবুৰী আৱৰ্ত ভৱনত এক উচ্চস্তৰীয় বৈঠকত মিলিত হয় মুখ্যমন্ত্ৰী ড° শৰ্মা। অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰী, আৰক্ষী সঞ্চালকপ্ৰধান হৰমিট সিঙৰ উপস্থিতিত এই বৈঠকতে উত্তেজনা সৃষ্টিকাৰীৰ বিৰুদ্ধে কঠোৰ স্থিতি লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই বৈঠকৰ পিছতে মুখ্যমন্ত্ৰীৰ স্পষ্ট ঘোষণা- ধুবুৰীত সন্ধিয়াৰ পাছতে অপৰাধীৰ বিৰুদ্ধে শ্বুট এট ছাইট ব্যৱস্থা গ্ৰহণ কৰা হ'ব। বৈঠকৰ পাছত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ধুবুৰীত সাম্প্ৰতিক উত্তেজনা সৃষ্টিৰ আঁৰত বাংলাদেশৰ এটা শক্তি জড়িত হৈ আছে। যোৱা এসপ্তাহ ধৰি ধুবুৰীৰ আইন-শৃংখলা পৰিস্থিতি কিছু প্ৰত্যাহ্বানমূলক হৈ আছে। বিশেষকৈ ঈদৰ পিছদিনা হনুমান মন্দিৰত গো-মাংস পেলাই থৈ যোৱা বিষয়টো যথেষ্ট স্পৰ্শকাতৰ বুলি চিহ্নিত হৈছে। ইতিমধ্যে বিষয়টোক লৈ শান্তি কমিটীৰ লগতে সকলো বিষয় আলোচনা কৰা হৈছিল যদিও পিছদিনা আকৌ গো-মাংস পেলাই থৈ যায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- এনেধৰণৰ ঘটনাবোৰ চলি থাকিলে ৰাইজ যথেষ্ট অসুবিধাত পৰিব। কটন বিশ্ববিদ্যালয়ৰ (দহ পৃষ্ঠাত চাওক)

# ধৰ্ষণকাৰীৰ বিৰুদ্ধে 'শ্বুট এট ছাইট' আইন প্ৰণয়নৰ দাবী প্ৰাক্তন নৌ সেনা বিষয়াৰ

ৰঙিলী বাৰ্তাসেৱা- বহিঃৰাজ্যৰ পৰা অহা এগৰাকী প্ৰাক্তন নৌ সেনা বিষয়াৰ এটা ব্যতিক্ৰমী পদক্ষেপৰ কাহিনীয়ে চৰ্চা লাভ কৰা পৰিলক্ষিত হৈছে। দুই কণমানি কন্যাক লগত লৈ খোজকাঢ়ি ভাৰত ভ্ৰমণ কৰাৰ দীঘলীয়া যাত্ৰাৰ আঁৰৰ কাহিনীয়ে চৰ্চা লাভ কৰাই নহয়, কৌতূহলৰো সৃষ্টি কৰিছে জনতাৰ মাজত। প্ৰাক্তন নৌ সেনা বিষয়াগৰাকীৰ নাম অনিল চৌহান। চাকৰিকাল শেষ নৌহওঁতেই চাকৰিৰ পৰা অব্যাহতি লৈছিল বিষয়াগৰাকীয়ে। বৰ্তমান সমাজত ঘটি থকা কিছুমান নিকৃষ্ট ঘটনাৰ সাক্ষীয়ে যেন তেওঁক বিচলিত কৰি তুলিছিল। বিশেষকৈ ভাৰতবৰ্ষৰ চুকে-কোণে হৈ থকা ধৰ্ষণকাণ্ডৰ দৰে ঘটনাই তেওঁক সদায় আমনি কৰিছিল। এই ধৰ্ষণকাৰীৰ বিৰুদ্ধে কিদৰে জাগৰণ আৰু ভাৰতবৰ্ষত বিশেষ আইন প্ৰৱৰ্তন কৰিব পাৰি সেই কথাবোৰে তেওঁৰ মন-মগজুত প্ৰতিদিনেত যেন দোদুল্যমান কৰি ৰাখিছিল। এদিন চাকৰিৰ পৰা ইস্তফা দি তেওঁ সংকল্প ল'লে যে দুই কন্যাক লগত লৈ খোজকাঢ়িয়েই তেওঁ ভাৰতৰ ইমূৰ-সিমূৰলৈ যাব। লক্ষ্য আৰু উদ্দেশ্য এটাই-ধৰ্ষণকাৰীৰ বিৰুদ্ধে শ্বুট এট ছাইটৰ লেখীয়া আইনৰ দৰে সমগ্ৰ ভাৰতবৰ্ষত এখন বিশেষ প্ৰৱৰ্তন হ'ব লাগে। বৰ্তমান সমাজ ব্যৱস্থাত সামাজিক ব্যাধি হিচাপে জ্বলন্ত সমস্যাৰ ৰূপত পৰিগণিত হোৱা 'ধৰ্ষণ'ৰ বিৰুদ্ধে সকলোৰে মাৰবান্ধি থিয় দিয়াৰ লগতে দেশত এখন কঠোৰ আইন বলবৎ কৰাৰ দাবীৰে নীৰৱে আৰম্ভ কৰিছে এই দীঘলীয়া যাত্ৰাৰ। যাত্ৰাকালত নৌ সেনাৰ বিষয়াগৰাকীয়ে দুই কন্যা ক্ৰমে ১১ বছৰীয়া শ্ৰেয়া চৌহান আৰু ৭ বছৰীয়া উক্তি চৌহানক সাৰথি কৰি লৈছে। পিতৃ-কন্যাই পিঠিত প্ৰয়োজনীয় কিছু সামগ্ৰীৰ বেগ লৈ দিনৰ দিনটো খোজকাঢ়ি সন্ধিয়া হ'লে যাত্ৰাৰ সামৰণি পেলায়। নিশাটো তেওঁলোকে মানুহৰ ঘৰ বা হোটেল ল'জৰ সলনি আশ্ৰয় গ্ৰহণ কৰে মন্দিৰ-মছজিদ অথবা কোনো আশ্ৰমত। লগত থকা পতাকাখনে তেওঁলোকৰ বিশেষত্বৰ যেন ধাৰণা বুজি উঠে আশ্ৰম, মন্দিৰৰ সমিতিয়ে। তাৰ বাবে বিশেষ অসুবিধা নহয় তেওঁলোকৰ। নিশাটো (দহ পৃষ্ঠাত চাওক)

# এয়াৰ ইণ্ডিয়া বিমান দুৰ্ঘটনাত নিহতসকললৈ বেজেৰাত শ্ৰদ্ধাঞ্জলি



ৰঙিলী বাৰ্তাসেৱা- কামৰূপ জিলাৰ উত্তৰ গুৱাহাটী ৰাজহ চক্ৰৰ অন্তৰ্গত বেজেৰাৰ চৌধুৰী চুবুৰীৰ কৃষ্ণ মন্দিৰ প্ৰাঙ্গণত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰা হয়। আহমেদাবাদত সংঘটিত এয়াৰ ইণ্ডিয়া বিমানৰ দুৰ্ঘটনাত নিহত ২৭৪ গৰাকী যাত্ৰীৰ স্মৃতিত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। এই বেদনাদায়ক ঘটনাটোৰ পৃষ্ঠভূমিত বেজেৰা অঞ্চলৰ সামাজিক-বৌদ্ধিক সংগঠন 'ৰামধেনু'-ৰ উদ্যোগত বন্তি প্ৰজ্বলন কৰি গভীৰ শোক প্ৰকাশ কৰা হয়। ভাস্কৰ জ্যোতি বেজবৰুৱাই আত ধৰা অনুষ্ঠানত সভাপতিত্ব কৰে বিশিষ্ট সমাজকৰ্মী পুৰন্দৰ চৌধুৰীয়ে। তেওঁ নিজৰ ভাষণত নিহতসকলৰ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে এই ধৰণৰ দুৰ্ঘটনা ৰোধৰ বাবে সজাগতা আৰু সুৰক্ষাৰ প্ৰয়োজনীয়তা উল্লেখ কৰে। ইয়াত তপন ডেকা, নৱজ্যোতি বৰ্মন, বিকাশ কুমাৰ শৰ্মা, জিতেন শৰ্মা সহ ৰামধেনুৰ বিষয়ববীয়া সদস্য সকল উপস্থিত থকাৰ লগতে চুবুৰীৰ আই মাতৃ, স্থানীয় বহু ব্যক্তিয়ে উপস্থিত থাকি নিহতসকলৰ প্ৰতিশ্ৰদ্ধা জ্ঞাপন কৰে। পৰিৱেশটো শোকাৱহ আৰু মননশীলতাৰে পৰিপূৰ্ণ হৈছিল।

সম্পাদকীয় শিতান....

# Caring vs Dominating

দেৱাশীষ গোস্বামী, নগাঁও



'Care', দেহা মন জুৰ পেলোৱা, বৰ মৰম লগা এটা শব্দ। Care বুলি কলে আমি এজনৰ আনজনৰ প্ৰতি থকা 'মৰম', 'যত্ন', 'আদৰ', 'ভালপোৱা' আদি মানৱীয় গুণ বোৰকেই বুজো। এই গুণবোৰৰ সমাহাৰেই প্ৰকৃত মানৱ জীৱনৰ আধাৰ। মানুহৰ দৈনন্দিন জীৱনত 'সুখ-দুখ', 'হাঁহি-কান্দোন', 'সফল-বিফল' 'খং অভিমান' আদি শব্দ বোৰে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যি আমাৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ। প্ৰকৃতাৰ্থত জীৱন জীয়াবলৈ যাওঁতে আমাৰ জীৱনত সুখ, শান্তি, সফলতা, হাঁহি, মৰম আদি শব্দবোৰৰ সমাহাৰৰ বিপৰীতে দুখ, অশান্তি, বিফলতা কান্দোন, খং আদি শব্দবোৰে নিজৰ আধিপত্য বিস্তাৰ কৰে। সচাঁ অৰ্থত আপোনজনেহে আমাৰ জীৱনৰ ভাল বেয়া সকলো সময়তে মৰম, যত্ন, আদৰ ভালপোৱাৰ আঁচল খনেৰে আমাক আবৰি ৰাখে। আমিবোৰ পৰিয়াল কেন্দ্ৰীক সামাজিক প্ৰাণী। মা-দেউতা বাই-ভনী, দাদা-ভাইটি, পত্নী, পুত্ৰ- জীয়াৰী আদি সমন্বিতে আমাৰ একো একোটা পৰিয়াল গঠিত হয়। সেই বাবেই পৰিয়ালৰ প্ৰত্যেকজনৰ 'Care' লোৱাতো আমাৰ নৈতিক দায়িত্ব, পৰিয়ালটোৰ এজন সদস্য হিচাপে। ঠিক সেইদৰে সমাজৰ প্ৰতিও আমাৰ যথেষ্টখিনি দায়বদ্ধতা আছে এখন দেশৰ প্ৰকৃত নাগৰিক হিচাপে। 'Care' অবিহনে আমাৰ জীৱনৰ বাট তেনেই কণ্টকময়, সোৱাদ মাথো তিতাঁ-কেহাঁ।

আনহাতে 'Dominating' অৰ্থাৎ 'প্ৰভুত্ব', 'অধিপত্য' আদি শব্দৰে গঠিত একো একোটা চৰিত্ৰ এখন ঘৰ, এটা পৰিয়াল থানবান কৰি দিবলৈ যথেষ্ট। যিকোনো সময়তে স্থান- কাল- পাত্ৰ পাহৰি কেৱল নিজৰ আধিপত্য, প্ৰভুত্ব বিস্তাৰ কৰিব খোজা লোক সকল সাধাৰণতে খুব বেছি অহংকাৰী, নিজে সৰ্বজ্ঞানী, আনবোৰ যধা মূৰ্খ, নিজৰটোহে শুদ্ধ,আনসকলো ভুল, গুৰু গোঁসাই নমনা বিধৰ চৰিত্ৰৰ অধিকাৰী।

এনেকুৱা 'Dominating Character' যদি একোটা পৰিয়ালত থাকে, নিৰ্ঘাট সেই পৰিয়ালটোৰ সুখ-শান্তি বিঘ্নিত হ'বই হ'ব। নিজৰ 'প্ৰভুত্ব', 'অধিপত্য'ক একমাত্ৰ স্থান দি জীৱনত আগুৱাই যাব খোজা ব্যক্তিৰ পাল্লাত পৰি ক'ত যে পৰিয়ালে এমুকোৰা কৃত্তিম হাঁহিৰে, বুকুত জ্বলি থকা জুইকুৰা, বেদনাসিক্ত- ভাৰাক্ৰান্ত নিজৰ আঁচল ৰূপটো ঢাকি ৰখাৰ বৃথা চেষ্টা কৰে তাৰ লেখ জোখ নাই। এটা পৰিয়ালৰ সুখ- শান্তি, হাঁহি বিঘ্নিত কৰাৰ মূলতে পৰিয়ালটোৰ সেই বিশেষ 'Dominating Character' অৰ অধিকাৰী জন।

'Caring Character' আমাৰ বাবে, আমাৰ সমাজৰ বাবে সদায়ে ধনাত্মক(Positive) আনহাতে 'Dominating Character' আমাৰ লগতে সমাজৰ মূৰৰ কামোৰণি অৰ্থাৎ ঋণাত্মক (Negative)। (দহ পৃষ্ঠাত চাওক)

# শান্তিপুৰত অভিনন্দন অনুষ্ঠান



ৰঘিলী বাৰ্তাসেৱা- ১২নং ৱাৰ্ডৰ পাৰিষদ দীপাংকৰ বৈশ্যৰ উদ্যোগত শান্তিপুৰ নামঘৰ প্ৰেক্ষাগৃহত প্ৰায় ১০০ গৰাকী হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত মধ্য গুৱাহাটী বিধান পৰিষদৰ সম্পাদক ভূপেন ঠাকুৰীয়া, ১৩নং ৱাৰ্ডৰ (দহ পৃষ্ঠাত চাওক)



# গুজৰাটৰ আহমেদাবাদত এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাগ্ৰস্থ

ৰঙিলী বাৰ্ত্তাসেৱা- বৃহস্পতিবাৰে আহমেদাবাদত এক ভয়ংকৰ বিমান দুৰ্ঘটনা সংঘটিত হয়। গুজৰাটৰ আহমেদাবাদত এয়াৰ ইণ্ডিয়াৰ যাত্ৰীবাহী বিমান এআই ১৭১ দুৰ্ঘটনাগ্ৰস্ত হয়। ভাৰতীয় বিমান ইতিহাসত শোকাৱহ আহমেদাবাদ বিমান দুৰ্ঘটনাত ২৪১জন যাত্ৰীৰ কৰুণ মৃত্যু ঘটিছে। আহমেদাবাদ চৰ্দাৰ বল্লভভাই পেটেল আন্তৰ্জাতিক বিমানবন্দৰৰ পৰা লণ্ডনগামী ব'য়িং ৭৮৭-৮ ড্ৰীমলাইনাৰ এয়াৰ ইণ্ডিয়াৰ এআই ১৭১ বিমানখন উৰণৰ ৪০ ছেকেণ্ডৰ পাছতে বিমানবন্দৰৰ সমীপতে দুৰ্ঘটনাত পতিত হয়। বিমানবন্দৰৰ সমীপৰ মেঘানী নগৰৰ আৱাসিক এলেকাত এআই ১৭১বিমানখন ভূপতিত হোৱাত আৱাসিক অঞ্চলটোত শংকাৰ সৃষ্টি হয়। বিমানখন ৬২৫ ফুট উচ্চতাৰ পৰা নামি গৈ হঠাতে মেঘানী নগৰৰ বিজে মেডিকেল কলেজৰ হোষ্টেলৰ ওপৰত বাগৰি পৰে। বিমানখন জুই লাগি বিস্ফোৰিত হোৱাৰ ফলত বিমানখন খণ্ড-বিখণ্ড হৈ পৰে। দুই পাইলট, ১০



কেবিন ক্ৰুসহ ২৪২জন যাত্ৰী থকা বিমানখন আৱাসিক এলেকাত দুৰ্ঘটনাগ্ৰস্ত হোৱাত ( নপৃষ্ঠাত চাওক)

# ইজৰাইলৰ বোমাত বিধ্বস্ত ইৰানৰ নিউক্লিয়াৰ প্ৰকল্প



ৰঙিলী বাৰ্ত্তাসেৱা- ইজৰাইল আৰু ইৰানৰ মাজত আৰম্ভ হোৱা প্ৰত্যক্ষ সংঘাতে বিশ্ববাসীক শংকিত কৰি তুলিছে। ইজৰাইল আৰু ইৰানক সংযমী হ'বলৈ বিশ্ব সমুদায়ে আহ্বান জনাইছে। ইৰানৰ ওপৰত ভয়াৱহ আক্ৰমণ চলাই ইজৰাইলে দেশখনৰ পাৰমাণৱিক প্ৰকল্পৰ পৰা সামৰিক ঘাটি বিধ্বস্ত কৰি পেলাইছে। অপাৰেচন ৰাইজিং লায়ন শীৰ্ষকেৰে ইৰানৰ ওপৰত ইজৰাইলে পাৰমাণৱিক ক্ষেপণাস্ত্ৰ আৰু সামৰিক চৌহদক আক্ৰমণৰ লক্ষ্য কৰি লয়। আকাশমাৰ্গেৰে বোমাবৰ্ষণ কৰি ইজৰাইলে ইৰানৰ পাৰমাণবিক প্ৰকল্প বিধ্বস্ত কৰাৰ সমান্তৰালকৈ ক্ষেপণাস্ত্ৰ প্ৰতিৰক্ষা ব্যৱস্থা আৰু ( নপৃষ্ঠাত চাওক)

# এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাস্থলী পৰিদৰ্শন প্ৰধানমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- গৃহৰাজ্যত এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। আহমেদাবাদ চৰ্দাৰ বল্লভভাই পেটেল আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা লণ্ডনলৈ উৰা মৰাৰ কেইছেকেণ্ডৰ পিছতে বিমানবন্দৰৰ সমীপৰ মেঘানী নগৰ অঞ্চলত দুৰ্ঘটনাত পতিত হৈ এয়াৰ ইণ্ডিয়াৰ বিমানৰ ২৪১জন যাত্ৰীৰ কৰুণ মৃত্যুক লৈ বিধ্বস্ত আৰু বেদনাহত হোৱা প্ৰধানমন্ত্ৰী মোদীয়ে মেঘানী নগৰ অঞ্চলৰ ঘটনাস্থলীলৈ যায়। শুক্ৰবাৰে পুৱা আহমেদাবাদ আন্তৰ্জাতিক বিমানবন্দৰত অৱতৰণ কৰাৰ পিছতে ( নপৃষ্ঠাত চাওক)

# আহমেদাবাদৰ বিমান দুৰ্ঘটনাত নিহত মণিপুৰৰ দুই যুৱতী



ৰঙিলী বাৰ্ত্তাসেৱা- লণ্ডনলৈ উৰা মাৰিবলৈ লওতেই চকুৰ পচাৰতে ধ্বংস হৈ গ'ল এয়াৰ ইণ্ডিয়াৰ বিমানখন। আহমেদাবাদৰ মেঘানীনগৰ আই জি কমপ্লেক্স'ত দুৰ্ঘটনাত পতিত বিমানখনৰ কেবিন ক্ৰু হিচাপে কৰ্মৰত মণিপুৰৰ দুগৰাকী যুৱতীৰো মৃত্যু হয়। মণিপুৰৰ যুৱতী দুগৰাকী মৃত্যুৰ খবৰে ম্ৰিয়মাণ কৰি তুলিছে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক। ভয়ংকৰ দুৰ্ঘটনাটোৰ সময়ত বিমানখনত থকা যুৱতী দুগৰাকী মণিপুৰৰ এন কে শৰ্মা আৰু এল ছিংছন বুলি জানিব পৰা গৈছে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ খবৰ অনুসৰি বিমানখনৰ দুজন পাইলটসহ ৰচ্গাৰাকী কৰ্মচাৰীৰ ভিতৰত মণিপুৰৰ দুয়োগৰাকী যুৱতী আছিল। জানিব পৰা মতে, দুৰ্ঘটনাটোত ( নপৃষ্ঠাত চাওক)

# আহমেদাবাদ বিমান দুৰ্ঘটনাত মৃতকৰ সংখ্যা ২৯৭লৈ বৃদ্ধি



ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ অন্যতম শোকাৱহ আহমেদাবাদ বিমান দুৰ্ঘটনাত মৃতকৰ সংখ্যা ২৯৭লৈ বৃদ্ধি। বৃহস্পতিবাৰে দিনত আহমেদাবাদ চৰ্দাৰ বল্লভ ভাই পেটেল বিমানবন্দৰৰ পৰা লণ্ডন অভিমুখে উৰামৰাৰ কেইছেকেণ্ডমান পিছতে বয়িং ৭৮৭ ড্ৰিমলাইনাৰ এআই-১৭১ বিমানখন আৱাসিক এলেকাত দুৰ্ঘটনাত পতিত হোৱাত ২৪২জন যাত্ৰীৰ ভিতৰত ২৪১জনৰ মৃত্যু (দহ পৃষ্ঠাত চাওক)

# ৰাছিয়াৰ মস্কোত অনুষ্ঠিত উশ্বু সমৰকলাত ডিব্ৰুগড়ৰ কাশ্যপী সোনোৱালৰ ৰূপৰ পদক লাভ



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাছিয়াত অনুষ্ঠিত উশ্বু সমৰকলাত দেশৰ হৈ পাৰদৰ্শিতা প্ৰদৰ্শনেৰে সফলতা অৰ্জন কৰি গৃহ চহৰ ডিব্ৰুগড়ত উপস্থিত হয় কাশ্যপী সোনোৱাল । ৰাছিয়াৰ মস্কোত অনুষ্ঠিত হোৱা ‘Wushu Star International Championship 2025’ত দেশৰহৈ প্ৰতিনিধিত্ব কৰি কাশ্যপী সোনোৱালে ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। বৃহস্পতিবাৰে ডিব্ৰুগড়ৰ মোহনবাৰী বিমানবন্দৰত উপস্থিত হোৱাৰ লগে-লগে কাশ্যপী সোনোৱালক তেওঁ অধ্যয়ন কৰা ডিব্ৰুগড় “সম্পূৰ্ণ কেন্দ্ৰীয় বিদ্যালয়”ৰ লগতে আত্মীয় আৰু ক্ৰীড়াসংগঠন সমূহে বিপুল আদৰণি জনায়। ডি এইচ এছ ( নপৃষ্ঠাত চাওক)

# সোনম ৰঘুবংশীসহ পাঁচ অভিযুক্তক ৮ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজা ৰঘুবংশী হত্যাকাণ্ডৰ মূল অভিযুক্ত সোনম ৰঘুবংশীসহ পাঁচ অভিযুক্তক ৮ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰিছে আদালতে। এছ আই টি প্ৰধান আৰু পূব খাছী হিলচৰ আৰক্ষী অধীক্ষক আদিকে ধৰি মেঘালয় আৰক্ষীৰ এটা দলে বুধবাৰে বিয়লিৰ ভাগত অভিযুক্ত কেইজনক জিলা আদালতত হাজিৰ কৰে। আদালতে আটাইকেইজন আভিযুক্তক ৮ দিনৰ বাবে আৰক্ষীৰ জিম্মা মঞ্জুৰ কৰাত আৰক্ষীয়ে অভিযুক্ত সোনম ৰঘুবংশী, ৰাজ সিং কুশৱাহা, আকাশ ৰাজপুত, বিশাল সিং চৌহান আৰু আনন্দক পুনৰ সদৰ থানালৈ আনে। ২ জুনত মেঘালয়ৰ চেৰাপুঞ্জীত ৰাজা ( নপৃষ্ঠাত চাওক)

# অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ প্ৰধানমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ মহানগৰ আয়ুক্তৰ কাৰ্য্যালয়ত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ কামৰূপ মহানগৰ সমিতিৰ তৰফৰ পৰা ৮ জন মান সদস্য উপস্থিত হৈ ভাৰতৰ প্ৰধানমন্ত্ৰীলৈ উদ্দেশ্যি এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰা হয় কামৰূপ মহানগৰ আয়ুক্তৰ জৰিয়তে বৃহৎ নদী বান্ধ বন্ধৰ দাবীত। বিশেষজ্ঞ সমিতিৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈ নিৰ্মাণ কৰা গেৰুকামুখ নামনি সোঁৱনশিৰি বান্ধ বন্ধ কৰাৰ দাবী জনায় উক্ত সমিতিয়ে অন্যথা তীব্ৰ গনতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে স্মাৰকপত্ৰৰ জৰিয়তে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ মহানগৰ সমিতিৰ স্মাৰকপত্ৰ প্ৰদান কাৰ্যসূচীত মহানগৰ সমিতিৰ সভাপতি অৰুণজ্যোতি মেধি আৰু সাধাৰণ সম্পাদক সুকুমাৰ বৰ্মন আৰু উপদেষ্টা প্ৰদীপ কলিতা আদি ৮ জন সদস্য উপস্থিত থাকে।

# বিদেশী মুক্ত অসম পূৰ্বৰ পৰা বিচাৰি আছোঃমুছলিম ছাত্ৰ সন্থা



ৰঙিলী বাৰ্ত্তাসেৱা- শেহতীয়াকৈ অসম চৰকাৰে বিদেশী বিতাৰনৰ নামত অমানৱীয় বাবে অসমৰ মুছলমান সকলক অত্যাচাৰ কৰা আমি লক্ষ্য কৰি আছোঁ মুছলিম ছাত্ৰ সন্থা অসমে বিদেশী মুক্ত অসম পূৰ্বৰ পৰাই বিচাৰি আছোঁ, কিন্তু বিদেশী বিতাৰণ কৰাৰ নামত স্বদেশীক অত্যাচাৰ কৰিব সেইটো মানি লোৱা নহ'ব। ইতিমধ্যে মুছলিম ছাত্ৰ সন্থাৰ জিলা সমিতিৰ জৰিয়তে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিলোঁ যদিওঁ জিলা প্ৰশাসনে অনুমতি বাতিল কৰি আছে তাৰ পিছতো বৰপেটা চেঙা ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে আমি ৰাষ্ট্ৰপতি, গৃহ মন্ত্ৰালয়ৰ, আৰু UNO লৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰিলোঁ আৰু দিল্লীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰাৰো সিদ্ধান্ত লোৱা হৈছে। অসম চুক্তি ৰূপায়ন কৰি আৰু ঐতিহাসিক চুক্তিৰ আধাৰত প্ৰকৃত বিদেশীক নীতি নিয়ম মতে বিতাৰন কৰিলে আমি সহযোগ কৰিম অন্যথা ই তীব্ৰ গণ আন্দোলন কৰা হ'ব সেই কথা স্পষ্টকৈ জনাব বিচাৰিছোঁ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰক। আনহাতে ৰাজ্যখনৰ বিভিন্ন স্তৰত পবিত্ৰ ঈদৰ পিছত অনা-মুছলিম এলেকাত বিশেষকৈ কটন কলেজ, মন্দিৰ আৰু হিন্দু ভাই সকলৰ ধৰ্মীয় উপাসনা স্থানত গো মাংস উদ্ধাৰ হোৱা ঘটনাক আমি মুছলিম ছাত্ৰ সন্থা অসমে তীব্ৰ ভাষাৰে গৰিহণা জনাইছোঁ আৰু এই ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্ত কৰিবলৈ ৰাজ্য চৰকাৰক দাবী জনাইছোঁ আজিৰ এই সংবাদ মেলৰ জৰিয়তে। এই ঘটনাক লৈ যাতে ৰাজ্যখনত হিন্দু -মুছলিমৰ ভাতৃত্ববোধ নষ্ট নহয় তাৰ প্ৰতিও ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰশাসনক আহ্বান জনালোঁ। একমাত্ৰ মুছলিম হোৱাৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তত উচ্ছেদ চলাই থকা আমি লক্ষ্য কৰিছোঁ ৰাজ্য চৰকাৰে ন্যায়ালয়ৰ নিৰ্দেশনা পালন কৰা হৈ আছে কয় আকৌ যেতিয়া ভুক্তভোগীয়ে মহামান্য ন্যায়ালয়ত আবেদন কৰাৰ লগে লগে স্থগিত কৰাৰ আদেশ দি আছে ৯ জুন নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰ এলেকাৰ ৯৩ জন ভুক্তভোগীয়ে কৰা আবেদনৰ শুনানিত মহামান্য ( নপৃষ্ঠাত চাওক)

# বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়ী বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু কণাদ পুৰকায়স্থ



ৰঙিলী বাৰ্ত্তাসেৱা-বিনা প্ৰতিদ্বন্দ্বিতাৰে অসমৰ ৰাজ্যসভাৰ দুয়োখন আসনতে জয়ী হ'ল এনডিএৰ প্ৰাৰ্থী। উল্লেখ্য যে অসমৰ ৰাজ্যসভাৰ খালী হোৱা আসন দুখনৰ বিপৰীতে বিজেপিৰ কণাদ পুৰকায়স্থ আৰু অগপৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই মনোনয়ন দাখিল কৰিছিল। আসন দুখনত বিৰোধীয়ে কোনো প্ৰাৰ্থী প্ৰক্ষেপ নকৰাত মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন উকলি যোৱাৰ পিছত দুয়োগৰাকী প্ৰাৰ্থীকে বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱা বুলি ৰাজ্যসভাৰ নিৰ্বাচনী বিষয়াই ঘোষণা কৰিলে । অসম বিধানসভা প্ৰাংগণত থকা ৰাজ্যসভা নিৰ্বাচন পৰিচালনা কাৰ্যালয়ৰ পৰা দুয়োগৰাকী প্ৰাৰ্থীয়ে আনুষ্ঠানিকভাৱে জয়ৰ প্ৰমাণ-পত্ৰ গ্ৰহণ কৰে। উল্লেখ্য যে অহা ১৪ জুনত বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু বিজেপিৰ সাংসদ মিছন ( নপৃষ্ঠাত চাওক)

# বিমান দুৰ্ঘটনাত নিহতৰ পৰিয়ালৰ আৰ্থিক ক্ষতিপূৰণ ঘোষণা টাটাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- বৃহস্পতিবাৰে আহমেদাবাদত সংঘটিত হোৱা এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা প্ৰতিজনৰ পৰিয়াললৈ আৰ্থিক ক্ষতিপূৰণ ঘোষণা কৰিছে টাটা গ্ৰুপে। টাটা গ্ৰুপ আৰু টাটা ছনছৰ অধ্যক্ষ নটৰাজন চন্দ্ৰশেখৰণে এক বিবৃতিযোগে টাটা গ্ৰুপে এই দুৰ্ঘটনাত নিহত প্ৰতিগৰাকী যাত্ৰীৰ আত্মীয়লৈ ১ কোটিকৈ আৰ্থিক ক্ষতিপূৰণ ঘোষণা কৰিছে। বিমান দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকলৈ শ্ৰদ্ধাঞ্জলি আৰু পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰি টাটা গ্ৰুপে এই শোকাবহ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকৰ পৰিয়াললৈ এক কোটি টকাকৈ সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। আৰ্থিক ক্ষতিপূৰণৰ সমান্তৰালকৈ টাটা গ্ৰুপে আঘাতপ্ৰাপ্ত সকলোৰে চিকিৎসাৰ খৰচো বহন কৰাৰ প্ৰতিশ্ৰুতি দিছে। তদুপৰি বিমানখন ভাগি পৰা ডিজে মেডিকেল কলেজৰ হোষ্টেলৰ প্ৰাণ হেৰুওৱা লোকলৈও সহায় আগবঢ়াব বুলি বিবৃতিত উল্লেখ কৰিছে। আৰু লগতে বি জে মেডিকেল কলেজৰ হোষ্টেল পুনৰ নিৰ্মাণ কৰিব বুলিও টাটা গ্ৰুপে তেওঁলোকক আশ্বাস প্ৰদান কৰিছে।

# 'অমৃত প্ৰবাহ' কাকতৰ বৰ্ষপূৰ্তি উপলক্ষে স্মৃতিচাৰণ-বঁটা প্ৰদান অনুষ্ঠান



ৰঙিলী বাৰ্ত্তাসেৱা- আদৰ্শ জননী শশীপ্ৰভা কলিতা স্মৃতিৰক্ষা সমিতিৰ এক সজাতি দলে অসম চৰকাৰৰ কৰ আয়ুক্ত জিতু দলে, কামৰূপ মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্ত আৰু কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক ৰঞ্জন ভুএগক সাক্ষাৎ কৰি আগন্তুক ১৫ আগষ্টত হ'বলগীয়া আদৰ্শ জননী শশীপ্ৰভা কলিতাৰ তৃবিংশতম পুণ্যদিৱস আৰু জনপ্ৰিয় অসমীয়া সাপ্তাহিক অমৃত প্ৰবাহ কাকতৰ একাদশ বৰ্ষপূৰ্তি উপলক্ষে স্মৃতিচাৰণ আৰু বঁটাপ্ৰদান অনুষ্ঠানত বিশেষ ব্যক্তি বিশেষ সন্মান বঁটাৰে সন্মান জনোৱাৰ আমন্ত্ৰণ পত্ৰ প্ৰদান কৰা হয়।সজাতি দলত নেতৃত্ব প্ৰদান কৰে মিডিয়া এচ'ছিয়েচন অসমৰ সভাপতি, ( নপৃষ্ঠাত চাওক)



লিমাৰিক

## ‘ভিক্তিম’ হোৱা জন অতিকে সৰল




মুজাম্মেল হ’ক, গুৱাহাটী

(১)

আজি নাথাকিলে যন্ত্ৰ সভ্যতা অচল
মৰমৰ মাজত ‘ষড়যন্ত্ৰ’ৰ ধল
সকলোৱে মিলি-জুলি
ৰঙ সলায় গধূলি
‘ভিক্তিম’ হোৱা জন হে অতিকে’ সৰল।

(২)

দেশ লৈ ভেশ ভিন্-ভিন্ হয় নিশ্চয়
সৎ পথেৰে টকা কিমান জমা হয়
শিক্ষিতৰ কূট বুদ্ধি
সেয়ে সমাজ অশুদ্ধি
‘ইতৰ’ৰ শাসনত দক্ষ লোক ক্ষয়।

## ওপজা গাওঁখনি

অমিয়া বেগম



ওপজা মৰমৰ গাওঁখনি
আজিও বাৰে বাৰে
স্মৃতিয়ে দোলা দিয়ে
কৈশোৰৰ হাঁহি- ধেমালি
আজি ক’ত হেৰা’ল
হিয়া বিষাদেৰে
উপচি পৰে।
সমনীয়াৰ সতে
পশ্চিমৰ আকাশৰ
ৰাঙলী বেলিৰ সৈতে
লুকা- ভাকু খেলা ।
সযতনে সাঁচি ৰাখিছোঁ
হৃদয়ৰ নিভৃতকোনত
আজীৱন পাহৰিবলৈ নোৱাৰা ;
জীৱনৰ অলেখ মধুৰ ক্ষণ।

# শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱ

অনামিকা (সংগীতা)কলিতা, শুৱালকুছি

শ্ৰী মন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু ।
তাহান্ত বিনাই নাহি নাহি
আমাৰ পৰম গুৰু ।

মহাপুৰুষ মাধৱদেৱ শ্ৰীমন্ত শংকৰদেৱৰ পৰম শিষ্য আছিল। মাধৱদেৱে প্ৰথমতে পূজা পাতল কৰিছিল কিন্তু এটি ঘটনাৰ পৰা শ্ৰীমন্ত শঙ্কৰদেৱৰ লগত মণিকাঞ্চন সংযোগ হোৱাৰ পিছত এক শৰণ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল।এয়া সম্ভৱ হৈ মহাপুৰুষ মাধৱদেৱৰ ভনী জোৱাই ৰাম দাস আতৈৰ যোগেদি। ঘটনাটো এনে ধৰণৰ মহাপুৰুষ মাধৱদেৱ শাক্ত ধৰ্মত বিশ্বাসী এবাৰ মাক টান নৰিয়াত পৰিল বহুত বেজ ওজা লগোৱাৰ পিছত সুফল নাপালে। তেতিয়া দেৱীক পঠা ছাগলী এটা দিম বুলি মনে মনে তেওঁ প্ৰতিজ্ঞা কৰিলে। কিছুদিন পিছতে মাকৰ বেমাৰ ভাল হ’ল। তেতিয়া ভনী জোঁৱাই ৰাম দাস আতৈক এটা পঠা ছাগলী আনিব দিলে কিন্তু তেওঁ নানিলে। ইয়াৰ কাৰণ হ’ল শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰ পূজা পাতলৰ বিৰোধী এটা জীৱ বধ কৰি আন জীৱ কেতিয়াও সুখী হ’ব নোৱাৰে বুলি ৰাম দাস আতৈ ক’লে। এইবোৰ শুনি মহাপুৰুষ মাধৱদেৱৰ খং উঠিল কোন এই শঙ্কৰদেৱ যি দেৱী মাক অৱজ্ঞা কৰে তেওঁক এবাৰ পৰীক্ষা কৰি চাম। তাৰ পিছত শ্ৰীমন্ত শংকৰদেৱক সাক্ষাত কৰিলে আৰু মহাপুৰুষ মাধৱদেৱ আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ শাস্ত্ৰৰ ওপৰত এখন বাকযুদ্ধ হয়। শ্ৰীমন্ত শংকৰদেৱে ভাগৱত বেদ শ্লোক আদি সকলো যুক্তি দি থাকিল মহাপুৰুষ মাধৱদেৱেও দি থাকিল শেষত মহাপুৰুষ মাধৱ দেৱ পৰাভূত হ’ল আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ শৰণ ল’লে।

তেতিয়াৰ পৰাই সমাজৰ কু-সংস্কাৰবোৰ নাশ কৰিবলৈ গুৰু দুজনাই চেষ্টা কৰিছিল। যাৰ কাৰণে সমাজ সংস্কাৰক গুৰুজনাই সত্ৰ !নামঘৰ আৰু বৰগীত আদি অনেক অৱদান আগবঢ়াই থৈ গৈছে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱে ধৰ্মৰ চাৰিখুঁটি মাৰি ভাগৱত ধৰ্মৰ পাতনি মেলিছিল। এই ভাগৱত ধৰ্মৰ প্ৰৱৰ্তনৰ খাতিৰত চাৰিহাটি, দৌলগৃহ, মণিকূট, কীৰ্তন ঘৰ আদিত ভক্তগণ আদি সমাহাৰে জ্ঞানৰ আলোক বিতৰণ কৰিছিল, যাক আমি নামঘৰ বুলি কওঁ। ইয়াত মহাপুৰুষ মাধৱ দেৱৰো অৱদান আছে। এই নামঘৰ বা কীৰ্তন ঘৰত হৰিৰ -কথা চৰ্চাৰ প্ৰসংগ। য’ত গুৰু, দেৱ, নাম, ভকত এই চাৰি বস্তু। ১৫৮৩ খ্ৰীষ্টাব্দত মহাপুৰুষ মাধৱদেৱে বৰপেটা সত্ৰ স্থাপন কৰে। তিনি প্ৰসঙ্গৰ পৰিবৰ্তে চৈধ্য প্ৰসঙ্গ, গীত মাত ঘোষা আদি পৰিবেশন কৰে।

বৰপেটা, বৰদোৱা, কমলাবাৰী, শুৱালকুছি হাটী সত্ৰ আদি শ্ৰীমন্ত শঙ্কৰদেৱৰ শিষ্য সকলে স্থাপন কৰি, খোল -বাদ্য, তাল বাজানা পৰম্পৰাগত ভাৱে পৰিবেশিত হৈ আহিছে। ১৫/১৬ শতাব্দীত মহাপুৰুষ শ্ৰীমন্তশঙ্কৰ দেৱে মহাপুৰুষ মাধৱ দেৱৰ সৈতে লগ-লাগি ব্ৰজাৱলী ভাষাত বৰগীত ৰচনা কৰে। ২৪০টা বৰগীত শঙ্কৰ দেৱে ৰচনা কৰিছিল। মানৱ আক্ৰমণ, ইংৰাজৰ শাসন ইত্যাদি নানা সমস্যা আদিৰ ফলত বাকী খিনি নষ্ট হৈ গল। বৰ্তমান ৩০টা সংৰক্ষিত। “কীৰ্ত্তন” ঘোষাক বেদৰ স্থান পাইছে। ১৫৭টা মহাপুৰুষ মাধৱ দেৱৰ বৰগীত ৰচনা কৰিছিল। নামঘোষা মহাপুৰুষ মাধৱদেৱৰ ৰচিত গ্ৰন্থ সমূহৰ ভিতৰত কীৰ্তিস্তম্ভ, এই নামঘোষা খনত এহেজাৰ ঘোষা থকা কাৰণে হেজাৰী ঘোষা নামে পৰিচিত। অসমৰ সমাজ জীৱনৰ প্ৰাণ প্ৰতিষ্ঠাতা গুৰু দুজনাৰ নামঘৰ প্ৰতিষ্ঠা কৰি আৰু বৰগীত সমূহ ৰচনা কৰি যি কলা -সংস্কৃতি চৰ্চা কৰি আমাক পথ দেখুৱাই থৈ গৈছে এয়া আমাৰ সমাজৰ এক শুভ লক্ষণ।

# World Blood Donor Day: A Lifeline of Humanity



Heramba Nath

Every year, World Blood Donor Day is observed on the 14th of June, a date chosen in honour of the birthday of Karl Landsteiner, the Nobel Prize-winning scientist whose discovery of the ABO blood group system revolutionised modern medicine. It is a globally recognised health observance, dedicated to raising awareness about the importance of safe blood and blood products, expressing gratitude to voluntary, unpaid blood donors, and encouraging more people to donate blood regularly. In the contemporary healthcare system, blood transfusion services remain one of the most indispensable medical practices, and without the selfless contributions of blood donors, countless lives would be lost.

The need for blood is universal, yet access to safe blood and blood products remains grossly unequal across nations and communities. Blood is essential in a range of medical conditions such as complications during pregnancy and childbirth, severe trauma resulting from accidents and natural disasters, major

Page-8

# মানুহ এজন বয়সৰ দ্বাৰা নহয়, দায়িত্বশীলতাৰ জৰিয়তে পৰিপক্ক হৈ উঠে



**চন্দ্ৰ শেখৰ পৰাজুলী, বিশ্বনাথ চাৰিআলি**

এজন মানুহৰ জীৱনক আমাৰ আধ্যাত্মিক ধৰ্ম গ্ৰন্থবোৰৰ অনুসৰি চাৰিটা আশ্ৰম বা ভাগত বিভক্ত কৰা হৈছে।। জন্মৰ পৰা প্ৰায় ২৫ বছৰলৈকে ব্ৰহ্মচৰ্য, তাৰ পাছত ২৫ বছৰৰ পৰা ৫০ বছৰলৈকে গাৰ্হস্থ্য, তাৰ পাছৰ পৰ্যায়ত আছে ৫০ পৰা প্ৰায় ৭৫ বছৰলৈকে বানপ্ৰস্থ, আৰু একেবাৰে মানৰ জীৱনৰ অন্তিমটো পৰ্যায়ত আছে ৭৫ বছৰৰ পৰা পাছৰ সময়খিনি সন্ন্যাস ।এতিয়া কথা হল, মানৰ জীৱনত এই চাৰিটা আশ্ৰমৰ মাজত কোনটো পৰ্যায়ত একেবাৰে পৰিপক্কতা জৰিয়তে মানুহে শাৰীৰিক, মানসিক, বৌদ্ধিক, আধ্যাত্মিক শক্তিৰ ১০০ শতাংশই প্ৰয়োগলৈ লৈ আহিব পাৰে। ইয়াৰ উওৰত একাংশ বুদ্ধিজীৱীৰ মতে গাৰ্হস্থ্য বা গৃহস্থ ধৰ্ময়ে সৰ্বশ্ৰেষ্ঠ বুলি উল্লেখ কৰিলেও মোৰ মতে মানুহ এজনৰ পৰিপক্কতা কোনো সময়সীমা নাথাকে। কাৰণ মানুহ এজন বয়সৰ দ্বাৰা নহয়, দায়িত্বশীলতাৰ জৰিয়তে পৰিপক্ক হৈ উঠে।

আচলতে মানুহৰ পৰিপক্কতা সচাকৈ কোনো সময়সীমা নাথাকে। কাৰণ আমি বৰ্তমান সময়তে আমাৰ সামাজতে এনে বহু উদাহৰণ দেখিবলৈ পাওঁ বা পাবলৈ সক্ষম হৈছোঁ যে, একেবাৰে যৌৱন অবস্থাৰ আৰম্ভনিতে এজন লৰা বা ছোৱালীয়ে হওক তেওঁলোক নিজ নিজ পৰিবেশ পৰিস্থিতি উপৰত বিচৰণ কৰি এজন একেবাৰে বয়জেষ্ঠ মানুহৰ জীৱনৰ তুলনাতো অধিক পৰিপক্কতা জৰিয়তে জীৱন অতিবাহিত কৰি যাবলৈ সক্ষম হৈছে। আচলতে জীৱনৰ পৰিপক্ক সচৰাচৰ বেছিকৈ জীৱনত আহিপৰা জটিলতা বা সংকটবোৰৰ উপৰত নিৰ্ভৰশীল হয়। যিমান কম বয়সতেই এজন মানুহে যিমান ডাঙৰ ডাঙৰ সমস্যাৰ মুখামুখি কৰি আগুৱাই যাব লগিয়া হৈ পৰে সিমানেই সেই ব্যক্তিগৰাকিয়ে জীৱনত পৰিপক্কতা সাব্যস্ত কৰিবলৈ সক্ষম হয়। পৰিপক্কতা অৰ্থ হল মানুহৰ মস্তিস্কৰ বিকাশ। আৰু ইয়াৰ বাবে মানুহৰ বয়সৰ কোনো বাধকতা বা সময়সীমা নিৰ্ণয় কৰিব নোৱাৰি। কাৰণ মই আগতে উল্লেখ কৰিছোঁ যে, মানুহ এজনে ব্যক্তিগতভাৱে পাই অহা পৰিবেশ, পৰিস্থিতি সমূহে মানুহৰ অনাগত দিনৰ দিশ নিৰূপণ কৰে। গতিকে আমাৰ বৰ্তমান সময়ৰ অভিভাৱক সকলে উঠি অহা নৱপ্ৰজন্মৰ ভৱিষ্যতৰ বিষয়ে চিন্তা-চৰ্চা কৰি নিজ নিজ লৰা-ছোৱালীক সময় থাকোতেই যথাসম্ভৱ ঘৰুৱাভাৱে হওকবা সামাজিক দায়বদ্ধতা অৰ্পণ কৰাৰ প্ৰতি মনোনিবেশ কৰক। নহলে অতি মাত্ৰাত দিয়া মৰম, চেনেহৰ জৰিয়তে এক ভয়াতুৰ বা কোপুৰুষ সন্তানৰে সৃষ্টি হব ধৰিব। আপুনি যদি সৰ্বপ্ৰকাৰে যদিও এজন সফল অভিভাৱকৰ দায়িত্ব বহন কৰি আহিছে তথাপিও নিজ নিজ সন্তান সমূহক জীৱনত অভাৱ, সংঘাত, সংঘৰ্ষ, দুখ, কষ্ট আদিৰো সময় থাকোতেই শিক্ষা প্ৰদান কৰক। ইয়াৰ জৰিয়তে শিশু এটাৰ সৰ্বপ্ৰকাৰে অতি কম বয়সতে বিকাশ নিশ্চিত হৈ পৰে।

## কাব্যকল্প



**সংগীতা ডেকা, ৰঙিয়া**

মোৰ কবিতাৰ মাজতেই
মই আছোঁ তুমি যে কাহানিও
বিচাৰিয়েই চোৱা নাই !
গল্প লিখিবলে মন নোযোৱা নহয়
কিন্তু দুচকুৰে বৈ পৰা
কবিতাৰ টোপালবোৰ
সামৰিবও তো লাগে মই !
তুমি যে গমকেই পোৱা নাই
গোলাপ নহ'লেও হ'ব দিয়া
কেইপাহমান ছন্দ
কেইপাহমান সেউজীয়া
মোক উপহাৰ দিবা
এটি শব্দৰ ফ্ৰেম বনাম মই
স্মৃতিৰ চিত্ৰপট সজাবলৈ ।

**যোৱাখণ্ডৰ পৰা...**

# চেন্নাইত স্বাস্থ্য পৰীক্ষা কৰি ৰামেশ্বৰম, জগন্নাথ ধাম ভ্ৰমণযাত্ৰা

চেন্নাইৰ পৰা ৰামেশ্বৰমলৈ ৰেল, বাছ আৰু চাৰিচকীয়া বাহন যাতায়তৰ বাবে সকলো উপলব্ধ থাকে, আমি বাছেৰে যোৱাটোৰেই নিৰ্বাচন কৰিলোঁ। ১জুন দেওবাৰে ৰাতিপুৱা ৬ বজাত ৰামেশ্বৰমৰ পবিত্ৰ ভূমিত পদাৰ্পণ কৰিলোঁ। বেছি সময় বিলম্ব নকৰি আমি হোটেল এখনত গাঁপা ধুই তৈয়াৰ হৈ ৰামেশ্বৰম মন্দিৰ দৰ্শন কৰিবলৈ ওলাই আহিলোঁ। ৰামেশ্বৰম মন্দিৰত প্ৰৱেশ কৰি ২২ টা কুন্দত গাধোৱাৰ নিয়ম। আখ্যান অনুসৰি ৰামে যেতিয়া ৰাৱণক বধ কৰিছিল তেতিয়া ব্ৰাহ্মণ বধৰ ব্ৰহ্মহত্যাৰ পৰা পবিত্ৰাণ বিচাৰি ২২ ডাল শৰেৰে ৰামেশ্বৰমৰ পবিত্ৰ ভূমিত কুন্দ স্থাপন কৰি ভগৱান ৰামে তাত স্নান কৰিছিল। লোকবিশ্বাস অনুসৰি ভক্তপ্ৰাণ দৰ্শনাৰ্থীয়ে যদি সেই কুন্দত গাঁধুৰে তেতিয়া সকলো পাপৰ পৰা মুক্ত হব পাৰে বুলি জনবিশ্বাস আছে । মন্দিৰ দৰ্শন কৰাৰ পাছত আমি এইবাৰ ৰামৰাৱণৰ যুদ্ধত লংকালৈ যাত্ৰা কৰিবলৈ ব্যৱহৃত ৰামসেতু পৰিদৰ্শন কৰিবলৈ ধনুচকোডীলৈ ওলালো। ধনুচকোডীৰ সেই বিশেষ স্থান খনত তিনিখন সাগৰৰ মিলন আপুনি পৰিলক্ষিত কৰিব পাৰে । বংগোপসাগৰ, হিন্দু মহাসাগৰ আৰু আৰব মহাসাগৰ সেই স্থানখিনিত মিলিত হৈছে। তাৰপৰা শ্ৰীলংকা মাত্ৰ ১৮ কিলোমিটাৰ দূৰত্বত অৱস্থিত। ইয়াৰপাছত বিভীষণ মন্দিৰ, ৰামকৃষ্ণ মন্দিৰ, লক্ষণ মন্দিৰ, পঞ্চমুখী হনুমান মন্দিৰ আৰু নটৰাজ মন্দিৰ পৰিদৰ্শন কৰোঁ। ৰামসেতু নিৰ্মাণৰ সময়ত যি পানীত উপঙি থকা শিল ব্যৱহাৰ হৈছিল, সেই শিল আমি পঞ্চমুখী হনুমান মন্দিৰত দেখাৰ সৌভাগ্য হ'ল। গোটেই দিনটো ৰামেশ্বৰমৰ বিভিন্ন ঠাই ঘুৰি-ফুৰি সেইদিনাই সন্ধিয়া বাছেৰে চেন্নাইলৈ উভতি আহোঁ। সোমবাৰ ২ জুন ৰাতিপুৱা চেন্নাইত উপস্থিত হৈ ডক্টৰৰ লগত পৰৱৰ্তী সময়ৰ চিকিৎসা সন্দৰ্ভত মতবিনিময় কৰি, ৩ জুন মংগলবাৰে চেন্নাইৰ পৰা ভুৱনেশ্বৰলৈ উৰাজাহাজেৰে উৰা মাৰোঁ। নিশা ১০ বজাত ভুৱনেশ্বৰত উপস্থিত হৈ চাৰিচকীয়া বাহন ভাড়া কৰি এইবাৰ ৪ধামৰ অন্য ধাম পুৰি জগন্নাথলৈ যাত্ৰা। চলিত বছৰৰ জুনৰ ২৩ তাৰিখৰ পৰা জগন্নাথ ৰথযাত্ৰা আৰম্ভ হব তাকলৈ এতিয়া ব্যাপক উৎসৱমুখৰ পৰিৱেশ পুৰি চহৰত। পুৰি চহৰৰ ঠায়েঠায়ে ৰথ নিৰ্মাণৰ কাম তীব্ৰগতিত চলি আছে । ৪ মে বুধবাৰে ৰাতিপুৱা ৮ বজাত মন্দিৰ প্ৰাংগনত প্ৰৱেশ কৰিলোঁ। প্ৰৱেশ কৰিয়েই দেখিলোঁ অগণন লক্ষলক্ষ ভক্তপ্ৰাণ ৰাইজৰ সমাগম। আমি যোৱাৰ সময়ত মহাপ্ৰভুৰ মন্দিৰৰ মুখ্য দ্বাৰ বন্ধ আছিল। প্ৰত্যেক ১ ঘণ্টাৰ মূৰেমূৰে জগন্নাথ মন্দিৰৰ দুৱাৰ ভক্তপ্ৰাণ দৰ্শনাৰ্থীৰ বাবে খুলি দিয়া হয়। মন্দিৰ সন্দৰ্ভত যিবোৰ কথা শুনিবলৈ পাইছিলো তাত গৈ দেখাপালোঁ ১০০% কথা সঁচা আৰু শুদ্ধ। মন্দিৰৰ কোনো ছাঁ দেখা নেপালোঁ। মন্দিৰত মহাপ্ৰভুক দৰ্শন কৰোঁতে প্ৰত্যেক বাৰে অন্য ৰূপত দেখা পোৱাকে আদি কৰি চৌকাত মহাপ্ৰভুৰ বাবে যি ভোগ তৈয়াৰ হয় সেয়া একেবাৰে শেষৰ ওপৰৰ পাত্ৰতহে তৈয়াৰ হয় । বিশেষকৈ এজোপা গছ কল্পবৃক্ষ নামেৰে যিডাল গছৰ কোনো শিপা নাই, জনবিশ্বাস মতে তাত সুটা বান্ধিলে ভক্তৰ সকলো মনোবাঞ্ছা পূৰণ হয় বুলি জনাজাত। মন্দিৰ দৰ্শন কৰি এইবাৰ পুৰিৰ সাগৰৰ পাৰত গাঁ-ধুই সন্ধিয়া পুৰিৰ পৰা কলিকতালৈ বাছেৰে যাত্ৰা কৰোঁ। ৫ তাৰিখ বৃহস্পতিবাৰে দিনৰ ১১ বজাত কলিকতাৰ হাওৰাত উপস্থিত হওঁ। কলিকতাৰ পৰা গুৱাহাটীলৈ উভতাৰ নিশা ৮ বজাত গুৱাহাটীলৈ উৰাজাহাজৰ সময়



**শৈলেন কুমাৰ, মিৰ্জা**

গতিকে বাকী থকা মুহূৰ্ত কেইটা কলিকতা চহৰৰ আশেপাশে ঘুৰিফুৰি কলিকতাৰ বিখ্যাত পৰ্যটন স্থল ভিক্টোৰিয়া মেমোৰিয়েলত উপস্থিত হৈ অতীতৰ সংঘটিত ঘটনাবোৰ পৰাধীনতাৰ কালৰ সেই বন্দীত্ব এবাৰ নিচেই কাষৰ পৰা ৰোমন্থন কৰোঁ। অৱশেষত নিশা ১০বজাত গুৱাহাটীৰ বিমানবন্দৰত অৱতাৰণা কৰি বহু উত্থানপতন, ঘাটপ্ৰতিঘাটেৰে পৰিপূৰ্ণ স্বাস্থ্য পৰীক্ষাৰ লগতে ভ্ৰমণ- যাত্ৰা এটিৰ পৰিসমাপ্তি ঘটে। উল্লেখ্য যে দক্ষিণত আমি বহু পৰিমাণে ভাষাৰ সমস্যাৰ লগতে খোৱাখাদ্যৰ সমস্যাৰ সন্মুখীন হৈছিলোঁ কাৰণ আমাৰ খাদ্য আৰু দক্ষিণৰ খাদ্যৰ মাজত আকাশপাতালৰ পাৰ্থক্য আছে। কিন্তু দক্ষিণৰ মানুহবোৰ এটা বিশেষ গুণ নকৈ নোৱাৰিলোঁ তেওঁলোক অমায়িক তথা উপকাৰী, এই যাত্ৰাকালত বহু তিতাকেহা অভিজ্ঞতা হ'ল লগতে উল্লিখিত ঠাই সমূহ পৰিভ্ৰমণ কৰি সেই ঠাই সমূহৰ বিশেষত্ব জনাৰ লগতে মানুহবোৰৰ আচাৰব্যৱহাৰ, ভাস্কৰ্য, শিল্প, বিভিন্ন প্ৰকাৰৰ খাদ্যসম্ভাৰ লগতে সাগৰীয় মাছৰ জুতি, ঐতিহ্য, সংস্কৃতি, ভাৱধাৰা আদিৰ বিষয়ে জ্ঞান লাভ কৰি জীৱনৰ সাৰ্থকতাৰ পৰিভাষা হিচাপে সঞ্চিত হৈ ৰ'ল ।

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

অসম চৰকাৰ

JANASANYOG- 607/25/15-June-25



# সবল মহিলা সবল সমাজ

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান

- উদ্যমিতাৰ দিশত আগুৱাই যাবলৈ আত্মসহায়ক গোটৰ প্ৰতিগৰাকী অৰ্হতাসম্পন্ন মহিলালৈ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ প্ৰক্ৰিয়াৰ যোগেদি

₹ ১০,০০০ টকাৰ উদ্যমিতা পুঁজি



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

সামৰি লোৱা মুঠ মহিলা উদ্যমী: প্ৰায় ৩০ লাখ

উদ্যমিতাৰ সম্ভাব্য ক্ষেত্ৰসমূহ: কৃষি, পশুপালন, বয়নশিল্প, হস্তশিল্প ইত্যাদি

সৰ্বমুঠ পুঁজি ৩০০০ কোটি টকা

অসমৰ মুখ্যমন্ত্ৰীয়ে চলিত বৰ্ষৰ ১ এপ্ৰিল তাৰিখে বিহালী সমষ্টিত আনুষ্ঠানিকভাৱে এই অভিযানৰ শুভাৰম্ভণি কৰে

## সমষ্টি অনুসৰি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ পুঁজি বিতৰণ সূচী

| ক্ৰমিক নং | বিধান সভা সমষ্টিৰ নং আৰু নাম | মাহ |
|---|---|---|
| ১ | ৩৯ নং নলবাৰী | আগষ্ট ২০২৫ |
| ২ | ৫২ নং জাগীৰোড | |
| ৩ | ১২৫ নং পাথাৰকান্দি | |
| ৪ | ৮৩ নং মাৰ্ঘেৰিটা | |
| ৫ | ৮ নং ধুবুৰী | |
| ৬ | ১১৮ নং শিলচৰ | ছেপ্টেম্বৰ ২০২৫ |
| ৭ | ১১৪ নং লক্ষীপুৰ | |
| ৮ | ৩৭ নং জালুকবাৰী | |
| ৯ | ৬৩ নং হোজাই | |
| ১০ | ৬৫ নং ঢেকিয়াজুলি | |
| ১১ | ৭০ নং বিশ্বনাথ | |
| ১২ | ৮০ নং জোনাই | |
| ১৩ | ৮৬ নং তিনিচুকীয়া | |
| ১৪ | ১১১ নং ৰংখাং | |
| ১৫ | ৫৩ নং লাহৰিঘাট | |
| ১৬ | ৭ নং গৌৰীপুৰ | |
| ১৭ | ১১ নং মানকাচৰ | |
| ১৮ | ৩৪ নং ডিমৰীয়া | অক্টোবৰ ২০২৫ |
| ১৯ | ৩৫ নং নিউ গুৱাহাটী | |
| ২০ | ১২১ নং হাইলাকান্দি | |
| ২১ | ১২৬ নং আৰ কে নগৰ | |
| ২২ | ২৮ নং বকো-ছয়গাঁও | |
| ২৩ | ৩১ নং ৰঙিয়া | |
| ২৪ | ৩২ নং কমলপুৰ | |
| ২৫ | ১৮ নং বঙাইগাঁও | |
| ২৬ | ৫৪ নং মৰিগাঁও | |
| ২৭ | ৫৭ নং কলিয়াবৰ | |
| ২৮ | ৫৯ নং বঢ়মপুৰ | |
| ২৯ | ৬০ নং নগাঁও-বটদ্ৰৱা | |
| ৩০ | ৬১ নং ৰহা | |
| ৩১ | ৬৪ নং লামডিং | |
| ৩২ | ৬৯ নং নদুৱাৰ | |
| ৩৩ | ৮১ নং শদিয়া | |
| ৩৪ | ৮২ নং ডুমডুমা | |
| ৩৫ | ৮৭ নং চাবুৱা-লাহোৱাল | |
| ৩৬ | ৮৮ নং ডিব্ৰুগড় | |
| ৩৭ | ১২ নং জলেশ্বৰ | |
| ৩৮ | ২৫ নং পাকাবেটবাৰী | |
| ৩৯ | ২৭ নং চমৰীয়া | |
| ৪০ | ৫৫ নং ধিং | |
| ৪১ | ৯ নং বীৰছিং জাৰুৱা | |
| ৪২ | ১০৪ নং দেৰগাঁও | নৱেম্বৰ ২০২৫ |
| ৪৩ | ১০৫ নং বোকাখাত | |
| ৪৪ | ১০৭ নং সৰুপথাৰ | |
| ৪৫ | ১০৩ নং গোলাঘাট | |
| ৪৬ | ১০৮ নং বোকাজান | |
| ৪৭ | ১০৯ নং হাওৰাঘাট | |
| ৪৮ | ১১৩ নং হাফলং | |
| ৪৯ | ১১৫ নং উধাৰবন্দ | |
| ৫০ | ১২০ নং ধলাই | |
| ৫১ | ২৬ নং বজালী | |
| ৫২ | ৪০ নং টিহু | |
| ৫৩ | ৪৯ নং ছিপাঝাৰ | |
| ৫৪ | ৫০ নং মঙলদৈ | |
| ৫৫ | ৬৬ নং বৰছলা | |
| ৫৬ | ৬৮ নং ৰঙাপৰা | |
| ৫৭ | ৭২ নং গহপুৰ | |
| ৫৮ | ৩৬ নং গুৱাহাটী (কেন্দ্ৰীয়) | |
| ৫৯ | ৬ নং গোলকগঞ্জ | |
| ৬০ | ৭৭ নং ঢকুৱাখনা | |
| ৬১ | ৭৮ নং ধেমাজি | |
| ৬২ | ৭৯ নং চিচিবৰগাঁও | |
| ৬৩ | ৮৫ নং মাকুম | |
| ৬৪ | ৯০ নং দুলীয়াজান | |
| ৬৫ | ১ নং গোসাঁইগাঁও | |
| ৬৬ | ১৭ নং সৃজনগ্ৰাম | |
| ৬৭ | ২২ নং মান্দিয়া | |
| ৬৮ | ৬২ নং বিন্নাকান্দি | |
| ৬৯ | ৫৮ নং চামগুৰি | |
| ৭০ | ১০৬ নং খুমটাই | ডিচেম্বৰ ২০২৫ |
| ৭১ | ১১৬ নং কাটিগড়া | |
| ৭২ | ১১৭ নং বৰখলা | |
| ৭৩ | ১৩ নং পশ্চিম গোৱালপাৰা | |
| ৭৪ | ১৫ নং দুধনৈ | |
| ৭৫ | ১৬ নং অভয়াপুৰী | |
| ৭৬ | ২০ নং বিজনী | |
| ৭৭ | ২১ নং ভৱানীপুৰ-সৰভোগ | |
| ৭৮ | ২৪ নং বৰপেটা | |
| ৭৯ | ৩৩ নং দিছপুৰ | |
| ৮০ | ৩৮ নং বৰক্ষেত্ৰী | |
| ৮১ | ৪১ নং মানস | |
| ৮২ | ৪৩ নং তামুলপুৰ | |
| ৮৩ | ৪৪ নং গোৰেশ্বৰ | |
| ৮৪ | ৪৫ নং ভেৰগাঁও | ডিচেম্বৰ ২০২৫ |
| ৮৫ | ৪৭ নং মাজবাট | |
| ৮৬ | ৪৮ নং টংলা | |
| ৮৭ | ৬৭ নং তেজপুৰ | |
| ৮৮ | ৭৩ নং বিহপুৰীয়া | |
| ৮৯ | ৭৬ নং লখিমপুৰ | |
| ৯০ | ৯১ নং টিংখাং | |
| ৯১ | ৯৮ নং মাজুলী | |
| ৯২ | ১০০ নং যোৰহাট | |
| ৯৩ | ১০১ নং মৰিয়নি | |
| ৯৪ | ১২৪ নং দক্ষিণ কৰিমগঞ্জ | |
| ৯৫ | ২৩ নং চেঙা | |
| ৯৬ | ৫৬ নং ৰূপহীহাট | |
| ৯৭ | ১১৯ নং সোণাই | |
| ৯৮ | ১০২ নং তিতাবৰ | জানুৱাৰী ২০২৬ |
| ৯৯ | ৯৯ নং টীয়ক | |
| ১০০ | ৯৩ নং সোণাৰি | |
| ১০১ | ৯৪ নং মাহমৰা | |
| ১০২ | ৯৫ নং ডিমৌ | |
| ১০৩ | ৯৬ নং শিৱসাগৰ | |
| ১০৪ | ৯৭ নং নাজিৰা | |
| ১০৫ | ৮৯ নং খোৱাং | |
| ১০৬ | ৯২ নং নাহৰকটীয়া | |
| ১০৭ | ৮৪ নং ডিগবৈ | |
| ১০৮ | ৭৪ নং ৰঙানদী | |
| ১০৯ | ৭৫ নং নাওবৈচা | |
| ১১০ | ৪২ নং বাক্সা | |
| ১১১ | ৪৬ নং ওদালগুৰি | |
| ১১২ | ১৯ নং ছিদলী-চিৰাং | |
| ১১৩ | ৪ নং বাওখুংগ্ৰী | |
| ১১৪ | ২ নং দতমা | |
| ১১৫ | ১১০ নং ডিফু | |
| ১১৬ | ১১২ নং আম্ৰী | |
| ১১৭ | ৩০ নং হাজো-শুৱালকুছি | |
| ১১৮ | ১২৩ নং উত্তৰ কৰিমগঞ্জ | |
| ১১৯ | ২৯ নং পলাশবাৰী | |
| ১২০ | ১০ নং বিলাসীপাৰা | |
| ১২১ | ৩ নং কোকৰাঝাৰ | |
| ১২২ | ৫ নং পৰ্বতঝৰা | |
| ১২৩ | ১৪ নং পুব গোৱালপাৰা | |
| ১২৪ | ১২২ নং আলগাপুৰ-কাটলিচেৰা | |
| ১২৫ | ৫১ নং দলগাঁও | |

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# উদ্যমী যুৱতী ছাবিনা তালুকদাৰ আৰু তালুকদাৰ চাট হাউচ-পৰম্পৰাৰ মাজত আধুনিকতাৰ এক সফল সংমিশ্ৰণ






নিকুঞ্জ শৰ্মা

গুৱাহাটী মহানগৰত সুপ্ৰসিদ্ধ নামেৰে জনাজাত তালুকদাৰ চাট হাউচ, যাৰ প্ৰথম শাখা ১৯৯৭ চনৰ ১৪ জুলাইত ৰেহাবাৰীস্থিত নেপালী মন্দিৰৰ ওচৰত মুকলি হৈছিল। পৰিয়ালিকভাৱে চলি অহা এই খাদ্য উদ্যোগটিয়ে বৰ্তমান গুৱাহাটীৰ বিভিন্ন প্ৰান্তত শাখা বিস্তাৰ কৰি জনসাধাৰণৰ মাজত এটা বিশ্বাসযোগ্যতা গঢ়ি তুলিছে।

এই পৰম্পৰাগত উদ্যোগৰ এক ন-উজ্জ্বল মুখ হ'ল ছাবিনা তালুকদাৰ-তালুকদাৰ চাট হাউচ জ্যোতিকুচি শাখাৰ মালিক আৰু নতুন প্ৰজন্মৰ প্ৰতিনিধি। এই শাখাটো তুলনামূলকভাৱে নতুন - কেৱল এটা বছৰ আগতেই খোলা হৈছে লখৰাৰ শংকৰ ধাবাৰ সন্মুখত কিন্তু অলপ সময়তেই ই লোকপ্ৰিয়তা লাভ কৰিছে।

ছাবিনা বৰ্তমানে বি.বি.এ. পাঠ্যক্ৰমত অধ্যয়ন কৰি থকা অৱস্থাতেই এই ব্যৱসায়ত নামি পৰে। তেখেতক পিতৃ চামেদ আলী তালুকদাৰৰ অনুপ্ৰেৰণাই খাদ্য উদ্যোগলৈ টানি আনে। আজিও তেওঁ নিজৰ পৰিশ্ৰম আৰু মনোবলৰ জৰিয়তে তালুকদাৰ চাট হাউচৰ এই শাখাটো আগবঢ়াই লৈ গৈছে।

**নাৰী শক্তিৰ দৃষ্টান্তঃ** ছাবিনাৰ কাহিনী কেৱল এখন খাদ্য দোকান খোলাৰ পৰিসীমাত সীমাবদ্ধ নহয়। তেওঁ আধুনিক শিক্ষাৰ সৈতে পৰম্পৰাগত ব্যৱসায়ক সংহত কৰি, সমাজত এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে-"নাৰীয়ে ব্যৱসায়ৰ আগভাগত থাকিব পাৰে, আৰু সফলতা অৰ্জন কৰিব পাৰে।" বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ দৰে এলেকাত, য'ত নাৰীসকলৰ ব্যৱসায়ত অংশগ্ৰহণ তুলনামূলকভাৱে কম, সাবিনাৰ দৰে যুৱতীসকলে নতুন প্ৰজন্মৰ বাবে আদৰ্শ স্থাপন কৰিছে।

**সমাজত প্ৰভাৱঃ** তালুকদাৰ চাট হাউচ জ্যোতিকুচি কেৱল এটা খাদ্য পয়েন্ট নহয় -ই স্থানীয় ৰাইজৰ বাবে এক মিলনৰ স্থান, য'ত সুস্বাদু খাদ্যৰ সৈতে হৃদ্যতা বিকাশ পায়। এই চাট হাউচে বহু স্থানীয় যুৱক-যুৱতীক সাময়িক আৰু স্থায়ী কাৰ্যসন্ধান আগবঢ়াইছে, যাৰ ফলত ৰোজগাৰৰ সুযোগ সৃষ্টি হৈছে। উল্লেখযোগ্য যে, খাদ্য সামগ্ৰীৰ দামে সাধাৰণ ৰাইজৰ আয়ৰ লগত সঙ্গতিপূৰ্ণ, যাৰ বাবে ই সমাজৰ সকলো স্তৰৰ মানুহে ভোক নোৰাৰা সময়ত সহায় পায়।

**বৈচিত্ৰ্যপূৰ্ণ মেনু, স্থানীয় ৰুচিৰ সংমিশ্ৰণঃ** জ্যোতিকুচি শাখাৰ খাদ্য তালিকাখন সুস্বাদু আৰু বৈচিত্ৰ্যপূৰ্ণ-চপ, চিকেন ৰোল, মোমো, চিলি চিকেন, ফ্ৰাইড ৰাইচ, চাউমিনৰ দৰে পদেৰে ভৰপূৰ। প্ৰতিটো খাদ্য স্থানীয় ৰুচিৰ লগত মিলাই প্ৰস্তুত কৰা হয়, যাৰ বাবে ই অঞ্চলটোৰ ৰাজহুৱা খাদ্য সংস্কৃতিত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে।

**উপসংহাৰঃ** ছাবিনা তালুকদাৰৰ নেতৃত্বত তালুকদাৰ চাট হাউচ জ্যোতিকুছি শাখাই আজিৰ সমাজত নাৰী নেতৃত্ব, আত্মনিৰ্ভৰশীলতা আৰু পৰম্পৰাগত উদ্যোগক আধুনিক চেতনাৰে আগবঢ়োৱাৰ এক অনন্য দৃষ্টান্ত স্থাপন কৰিছে। এনে প্ৰচেষ্টাই আগামী দিনত অধিক সংখ্যক যুৱতীকে উৎসাহিত কৰিব, যেন তেওঁলোকে নিজৰ সপোন পূৰণৰ সাহস আহৰণ কৰে।

# World Blood Donor Day:

surgical operations, and for patients undergoing therapies like chemotherapy and organ transplants. It also plays a critical role in treating blood-related disorders like thalassemia, haemophilia, and various forms of anaemia. However, many developing nations continue to face enormous challenges in ensuring a consistent and safe supply of blood, often due to lack of awareness, inadequate infrastructure, and insufficient numbers of voluntary donors. Blood shortages are frequently reported in hospitals, particularly in emergencies, leading to preventable deaths and unnecessary medical complications.

World Blood Donor Day serves as an annual reminder that donating blood is an act of solidarity, kindness, and humanitarian concern. It is a simple, yet profoundly impactful, way to save human lives. Blood cannot be artificially manufactured, nor substituted, and remains entirely dependent on donations from healthy individuals. A single donation has the potential to save multiple lives, as donated blood is typically separated into components such as red blood cells, platelets, and plasma, each of which may be used for different patients based on medical needs. Regular, voluntary, and unpaid blood donation is therefore the most reliable means of maintaining a safe and sufficient blood supply, as recommended by the World Health Organization (WHO), which advocates for all countries to progressively transition to 100 percent voluntary blood donation systems, supported by adequate policies, awareness campaigns, and healthcare infrastructure.

In a vast and populous country like India, the demand for blood significantly outpaces its availability. India faces an estimated annual deficit of nearly two million units of blood according to reports from variouso public health organisations. This shortfall often results in avoidable fatalities, especially among women experiencing obstetric complications, accident victims, and patients undergoing major surgeries. In Assam, this challenge mirrors the national scenario. Despite earnest efforts by the state government and various non- governmental organisations, rural and remote areas continue to suffer from acute blood shortages due to logistical difficulties, lack of awareness, and cultural inhibitions. In many cases, it is the family members of critically ill patients who are forced to arrange for blood donors at short notice, a situation that adds stress to already traumatic circumstances and delays essential treatment.

*Next Issue*

# এজাৰ ফুল



ৰাজলক্ষ্মী বৰঠাকুৰ

বৰষাৰ আগমনিৰ লগে লগে
নানা ৰঙীন ফুলবোৰে ৰঙৰ
পোহাৰ মেলি প্ৰকৃতিক
সজাই তুলে।
শাৰী শাৰীকৈ ফুলা এজাৰৰ
বেঙুনীয়া ৰঙবোৰে
প্ৰকৃতিক কৰি তুলে উন্মনা,
নানা ৰঙীন ৰঙবোৰৰ মাজতে
এজাৰৰ বেঙুনীয়া ৰঙবোৰেও
গুপুতে তুলে নীৰৱ গুণ গুণনি ।
প্ৰেমত মতলীয়া প্ৰেমিকে
প্ৰেয়সীৰ চকুত চকু থৈ
ল'ব বিচাৰে হেজাৰ
এজাৰ ফুলাৰ বতৰা ।
নীৰৱ মুহূৰ্ত্তবোৰত মনৰ
নিভৃত কোনত এজাৰ ফুলে
জগাই তুলে বিষাদৰ বেদনা ।

# গুজৰাটৰ আহমেদাবাদত এয়াৰ

আটাইকেইগৰাকীৰে মৃত্যু নিশ্চিত হোৱা বুলি ধাৰণা কৰা হয় যদিও ধ্বংসস্তূপৰ মাজৰ পৰা এজন যাত্ৰীক জীৱন্তে উদ্ধাৰ কৰা হয়। আহমেদাবাদ বিমানবন্দৰৰ পৰা লণ্ডনৰ গেটৱিক বিমানবন্দৰলৈ লক্ষ্য কৰি দিনৰ ১.৩৮ বজাত উৰণৰ ৪০ ছেকেণ্ডৰ পাছতে এআই ১৭১ বিমানখন দুৰ্ঘটনাত পতিত হয়। এই দুৰ্ঘটনা সন্দৰ্ভত এয়াৰ ইণ্ডিয়াই বিবৃতিযোগে কয়- এয়াৰ ইণ্ডিয়াই নিশ্চিত কৰে যে আহমেদাবাদৰ পৰা লণ্ডন গেটৱিকলৈ যাত্ৰা কৰা এআই ১৭১ বিমানখন উৰণৰ পাছতে দুৰ্ঘটনাত পতিত হৈছে। বিমানখন আহমেদাবাদৰ পৰা দিনৰ ১.৩৮ বজাত ২৪২জন যাত্ৰী লৈ উৰা মাৰিছিল। ব'য়িং ৭৮৭-৮ বিমানখনত কৰ্মচাৰীসহ ২৪২ যাত্ৰী আছিল। ইয়াৰ ভিতৰত ১৬৯ ভাৰতীয় নাগৰিক, ৫৩ ব্ৰিটিছ নাগৰিক, ৭ পৰ্তুগীজ নাগৰিক আৰু এজন কানাডাৰ নাগৰিক। দুৰ্ঘটনাটোত গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীও নিহত হৈছে। আৱাসিক অঞ্চলত বিমানখন দুৰ্ঘটনাত পতিত হোৱাৰ বাবেই যাত্ৰীৰ উপৰি আন লোক নিহত হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। তথ্য মতে, বিমানখন বাগৰি পৰা বিজে মেডিকেল কলেজৰ হোষ্টেলৰ কেণ্টিনত থকা কেইবাজনো কনিষ্ঠ চিকিৎসক হতাহত হৈছে। বিমানখন উৰণৰ এক মিনিটতে পাইলট এগৰাকীয়ে মেডে মেডে মেডে তিনিবাৰ বাৰ্তা এয়াৰ ট্ৰেফিক কণ্ট্ৰ'ললৈ প্ৰেৰণ কৰিছিল যদিও দুৰ্ভাগ্যবশতঃ বিমানখনৰ সৈতে যোগাযোগ বিচ্ছিন্ন হোৱাত সেই তথ্য লাভ নকৰিলে কৰ্তৃপক্ষই। ৮, ২০০ ঘণ্টা বিমান উৰণৰ অভিজ্ঞতা সম্পন্ন জ্যেষ্ঠ পাইলট কেপ্টেইন সুমিত শুভৰৱালে উৰণৰ এক মিনিটতে বিপদৰ সম্ভাৱনা দেখি মেডে কল কৰে যদিও বিমানখনৰ শেষ ৰক্ষা নহ'ল। কেপ্টেইন সুমিত শুভৰৱালৰ লগতে ১, ১০০ ঘণ্টা বিমান উৰণৰ অভিজ্ঞতা সম্পন্ন ফাষ্ট অফিচাৰ ক্লাইব কুন্দৰো এই শোকাৱহ দুৰ্ঘটনাত মৃত্যু ঘটিছে। দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পাছতে ঘটনাস্থলীত এনডিআৰএফকে ধৰি স্থানীয় প্ৰশাসনে ক্ষিপ্ৰতাৰে অভিযান চলায়। ধ্বংসস্তূপৰ চৌপাশে সিঁচৰতি হৈ থকা যাত্ৰীৰ দেহ এম্বুলেঞ্চেৰে চিকিৎসালয়লৈ কঢ়িয়াই নিয়ে। বিমানখন আৱাসিক এলেকাত ভূপতিত হোৱাৰ পাছতে বিস্ফোৰিত হৈ প্ৰচণ্ড শব্দৰ সৃষ্টি কৰে। এই দুৰ্ঘটনাত বিস্ফোৰিত বিমানখনৰ ধ্বংসাৱশেষ বিমানবন্দৰৰ পকীবেৰ পাৰ হৈ ভিতৰলৈ ছিটিকি পৰে বুলি উদ্ধাৰকাৰী দলে প্ৰকাশ কৰিছে। এই শোকাৱহ বিমান দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰীৰ লগতে ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু ক্ৰীড়া-সাংস্কৃতিক জগতৰ বিভিন্ন লোকসকলে। আমেৰিকা, জাৰ্মানী, কানাডা, গ্ৰেট ব্ৰিটেইনকে ধৰি বিভিন্ন দেশেও এই বিমান দুৰ্ঘটনাত শোক প্ৰকাশ কৰিছে।

# ৰাছিয়াৰ মস্কোত অনুষ্ঠিত উশ্বু

কানৈ মহাবিদ্যালয় (স্বায়ত্বশাসিত)-ত খেলুৱৈ গৰাকীক গামোছাৰে উষ্ম আদৰণী জনায় মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ডিব্ৰুগড় জিলা উশ্বু সন্থাৰ সভাপতি ড° শশীকান্ত শইকীয়া, ডিব্ৰুগড় জিলা উশ্বু সন্থাৰ উপ-সভাপতি তথা কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° জ্যোতি প্ৰসাদ ফুকন, ডিব্ৰুগড় জিলা উশ্বু সন্থাৰ সম্পাদক তথা প্ৰশিক্ষক মমী কছাৰী আৰু কানৈ মহাবিদ্যালয়ৰ এন চি চিগোটে। ডিব্ৰুগড় কদমণি ৰেৰা আগৰৱালা পথৰ নিবাসী জয়ন্ত সোণোৱাল আৰু চিংকুমণি সোনোৱালৰ কন্যা তথা ডিব্ৰুগড় সম্পূৰ্ণ কেন্দ্ৰীয় বিদ্যালয়ৰ অষ্টম শ্ৰেণীত অধ্যয়নৰত কাশ্যপী সোণোৱাল ২ মে'ৰ পৰা ৬ মে' লৈ উত্তৰাখণ্ড ডেৰাডুনৰ ৰায়পুৰত অনুষ্ঠিতহোৱা বাচনি পৰীক্ষাত অংশগ্ৰহণ কৰি ৰাছিয়াৰ মস্কোত ১ জুনৰ পৰা ৭ জুনলৈ অনুষ্ঠিত হোৱা মস্কো উশ্বুষ্টাৰ চেম্পিয়ন শ্বীপৰ বাবে ভাৰতীয় দললৈ নিৰ্বাচিত হৈছিল। উল্লেখযোগ্য যে কাশ্যপী সোনোৱালে ইতিমধ্যে ডিব্ৰুগড় জিলাৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰু পাঞ্জাৱ, কলিকতা, ঝাৰখণ্ড, হিমাচল প্ৰদেশ, ইম্ফল, মণিপুৰ, শ্বিলং, উত্তৰাখণ্ড আদিৰ উপৰিও চীন, ৰাছিয়া আদিত অংশগ্ৰহণ কৰি সোণ আৰু ৰূপৰ পদক অৰ্জন কৰি খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ পূৰ্বে খেলুৱৈগৰাকীয়ে ২০২২-ত ৰাছিয়াত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাতো দেশৰ হৈ প্ৰতিনিধিত্ব কৰি চতুৰ্থ স্থান লাভ কৰি পদক লাভ কৰিছিল। চীনৰ এমিস্তানত ২০২৩চনত অনুষ্ঠিত হোৱা ৱৰ্ল্ড চেম্পিয়নশ্বীপ উশ্বুত সোনোৱালে ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল।

# এয়াৰ ইণ্ডিয়াৰ বিমান

প্ৰধানমন্ত্ৰীয়ে পোনে পোনে মেঘানী নগৰ দুৰ্ঘটনাস্থলীলে যায়। প্ৰধানমন্ত্ৰী মোদীয়ে দুৰ্ঘটনাস্থলীত উদ্ধাৰ অভিযান চলোৱা বিষয়া-কৰ্মচাৰীসকলৰ সৈতে বাৰ্তালাপ কৰি পৰিস্থিতিৰ বুজ লয়। দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰাৰ পিছত প্ৰধানমন্ত্ৰী মোদীয়ে এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাটো অকল্পনীয় শোকাবহ ঘটনা বুলি আখ্যা দিয়ে। ঘটনাস্থলীৰ বিভিন্ন আলোকচিত্ৰ সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে এই দুৰ্ঘটনাত নিহত লোকৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। সামাজিক মাধ্যমত প্ৰধানমন্ত্ৰী মোদীয়ে কয়- আহমেদাবাদৰ শোকাৱহ বিমান দুৰ্ঘটনাই সকলোকে মৰ্মাহত কৰি তুলিছে। নিমিষতে অনেকজনৰ প্ৰাণহানি হোৱাটো হৃদয় বিদাৰক যাক শব্দৰে বৰ্ণনা কৰিব নোৱাৰি। নিহতৰ পৰিয়ালক সমবেদনা জনাইছে। আমি বুজি পাইছো তেওঁলোকৰ বেদনা। আনপিনে দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰাৰ পিছত প্ৰধানমন্ত্ৰী মোদীয়ে আহমেদাবাদ অসামৰিক হাস্পতালত চিকিৎসাধীন হৈ থকা একমাত্ৰ জীৱিত যাত্ৰী ৰমেশ বিশ্বাস কুমাৰক সাক্ষাৎ কৰে। ব্ৰিটিছ নাগৰিক ৰমেশৰ স্বাস্থ্যৰ বুজ লৈ প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ সুস্বাস্থ্য কামনা কৰে। চিকিৎসালয়ত ব্ৰিটিছ নাগৰিক ৰমেশৰ সৈতে কিছুসময় বাৰ্তালাপ কৰি স্বাস্থ্যৰ লগতে ঘটনাটোৰ বিষয়ে কিছু তথ্যও জানিব পাৰে প্ৰধানমন্ত্ৰী মোদীয়ে।

# সোনম ৰঘুবংশীসহ পাঁচ

ৰঘুবংশীৰ মৃতদেহ উদ্ধাৰৰ পাছতেই তেওঁৰ হত্যাকাণ্ডৰ ঘটনা দেশজুৰি চৰ্চিত হৈ পৰিছই । মেঘালয় আৰক্ষীয়ে এই হত্যাকাণ্ডৰ তদন্ত অব্যাহত ৰাখিছে । চলি থকা এই তদন্ত প্ৰক্ৰিয়া সন্দৰ্ভত মেঘালয়ৰ পূব খাছী হিলচৰ আৰক্ষী অধীক্ষক বিবেক চিয়েমে কয়- "সোনম ৰঘুবংশী এই হত্যাকাণ্ডত জড়িত থকাৰ পৰ্যাপ্ত প্ৰমাণ মজুত আছে। হত্যাকাণ্ডত জড়িত থকাসকলক মাৰাথন জেৰা কৰাৰ অন্তত‌হে আৰু বহু তথ্য পোহৰলৈ আহিব।" ইফালে সোনমৰ ভ্ৰাতৃৰ মন্তব্যই সৃষ্টি কৰিছে চাঞ্চল্য । সোনমক ফাঁচীৰ দাবী উত্থাপন কৰি ৰাজা ৰঘুবংশীৰ হত্যাত সোনম ১০০ শতাংশ জড়িত থকা বুলি দাবী কৰে স্বয়ং সোনমৰ ভ্ৰাতৃয়ে। সোনমৰ ভ্ৰাতৃ গোবিন্দই কয়- "সোনমে নিজকে দোষী বুলি মানি নলয়। তাইৰ সৈতে আমাৰ আৰু একো সম্পৰ্ক নাই। আমি তাইৰ সৈতে সকলো সম্বন্ধ ছিঙি দিলো । মই ৰাজা ৰঘুবংশীৰ হৈ যুঁজিম।"

# আহমেদাবাদৰ বিমান

মৃত্যু হোৱা বুলি সন্দেহ কৰা এন কে শৰ্মাৰ ঘৰ মণিপুৰৰ থৌবাল জিলাত হোৱাৰ লগতে এল ছিংছনৰ ঘৰ কাংখপি জিলাত। মণিপুৰৰ খাংগাবোক সমষ্টিৰ বিধায়ক আক্ৰাম সূৰ্যকুমাৰে সংবাদ মাধ্যমত এই কথা সদৰী কৰিছে। ঘটনাটো অতি মৰ্মান্তিক বুলি মন্তব্য কৰি বিধায়ক সূৰ্যকুমাৰে কয় যে দুয়োগৰাৰীৰ মৃত্যু হোৱা বুলি সংবাদ মাধ্যমত প্ৰকাশ হৈছে যদিও এয়াৰলাইনছ কৰ্তৃপক্ষই এতিয়ালৈকে এই সন্দৰ্ভত একো নিশ্চিত কৰা নাই। দুয়োগৰাকী কুশলে থকাৰ কামনা কৰিছোঁ। বিষয়টোৰ সত্যাসত্য নিৰূপণৰ বাবে মণিপুৰ চৰকাৰৰ বিষয়াকো নিয়োগ কৰা হৈছে বুলি তেওঁ লগতে কয়। ইপিনে আনুষ্ঠানিকভাৱে দুয়োগৰাকী যুৱতীৰ মৃত্যুৰ বিষয়ে বিমান কৰ্তৃপক্ষই কোনো মন্তব্য আগবঢ়োৱা নাই যদিও মণিপুৰৰ দুয়োটা পৰিয়ালতে সম্প্ৰতি শোকৰ ছাঁ পৰিছে।

# ইজৰাইলৰ বোমাত

সামৰিক ঘাটি বিকল কৰি তোলে। ইজৰাইলী সেনাৰ আক্ৰমণত ইৰানৰ ৰিভ'লছ্যনাৰী গাৰ্ডবোৰৰ কমাণ্ডাৰ হোছেইন ছালামি নিহত হোৱাৰ লগতে দেশখনৰ সশস্ত্ৰ বাহিনীৰ মুৰব্বী মহম্মদ বাঘেৰিও নিহত হৈছে। এই আক্ৰমণৰ সময়ত ৬গৰাকী পাৰমাণৱিক বিজ্ঞানীও নিহত হৈছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে বিবৃতিযোগে ইৰানৰ এই ক্ষয়ক্ষতিৰ তথ্য প্ৰকাশ কৰিছে। ইজৰাইলী সেনাই আক্ৰমণ কৰি বিধ্বস্ত কৰা ইৰানৰ পাৰমাণৱিক আন্তঃগাঁথনিৰ পৰা সামৰিক চৌহদৰ ধ্বংসাৱশেষৰ ভিডিঅ'ও প্ৰচাৰ কৰিছে। ইজৰাইলী সেনাৰ এই আক্ৰমণৰ প্ৰত্যুত্তৰ উচিতভাৱে দিয়া হ'ব। ইজৰাইলে ইয়াৰ পৰিণাম ভুগিব লাগিব বুলি দেশখনৰ শীৰ্ষ নেতা আয়াতুল্লাহ আলী খোমেইনিয়ে সকীয়নি দিছে। আমেৰিকা আৰু ইজৰাইলক এই আক্ৰমণৰ বাবে প্ৰতিশোধ লোৱা হ'ব বুলিও ইৰানৰ সশস্ত্ৰ বাহিনীৰ মুখপাত্ৰই প্ৰকাশ কৰিছে। লক্ষণীয় যে ইৰানে প্ৰত্যুত্তৰ হিচাপে ইজৰাইললৈ শতাধিক ড্ৰোন নিক্ষেপ কৰে যদিও মাজ আকাশতে এই ড্ৰোনসমূহ বিধ্বস্ত কৰে ইজৰাইলৰ সেনাই। ইজৰাইলৰ সীমান্ততেই ইৰানে নিক্ষেপ কৰা ড্ৰোনসমূহ প্ৰতিহত কৰে। ইৰান আৰু ইজৰাইলৰ মাজত এই সংঘাত তীব্ৰতৰ হৈ উঠাৰ সময়তে বিশ্ব সমুদায়ে অৰ্থাৎ শীৰ্ষ দেশসমূহে দুয়োখন দেশক সংযমী হ'বলৈ আহ্বান জনাইছে। আনপিনে, ইৰানৰ পাৰমাণৱিক প্ৰকল্পত ইজৰাইলী সেনাই আক্ৰমণ কৰা সন্দৰ্ভত ৰাষ্ট্ৰসংঘই নীৰৱ হৈ থকা বুলি অভিযোগ কৰি ইৰানে শীঘ্ৰে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদক বৈঠক আয়োজন কৰিবলৈ দাবী জনাইছে। লক্ষণীয় যে ইৰান আৰু ইজৰাইলৰ মাজত প্ৰত্যক্ষ সংঘাত আৰম্ভহোৱাৰ পাছত দুয়োখন দেশৰ আকাশমাৰ্গত আন্তৰ্জাতিক বিমানৰ চাল-চলনৰো জটিলতা আহি পৰাৰ পৰিপ্ৰেক্ষিততে ভাৰতকে ধৰি বিভিন্ন দেশৰ বিমানৰ গতি পথ সলনি কৰিবলগীয়া হৈছে। আনকি কিছুসংখ্যক দেশে আন্তৰ্জাতিক বিমানৰ সেৱা সাময়িকভাৱে স্থগিত ৰাখিছে।

# বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়ী

ৰঞ্জন দাসৰ কাৰ্যকাল উকলি যাব। এই দুয়োখন আসনৰ বাবে অহা ১৯ জুনত নিৰ্বাচনৰ দিন স্থিৰ কৰা হৈছিল যদিও দুয়োখন আসনৰ বাবে বিজেপি আৰু অগপই এজনকৈ প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ বিপৰীতে বিৰোধীয়ে এজনো প্ৰাৰ্থী প্ৰক্ষেপ নকৰিলে। যাৰ বাবে বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু কণাদ পুৰকায়স্থ বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়ী হয়।

# বিদেশী মুক্ত অসম

গুৱাহাটী উচ্চন্যায়ালয়ে উচ্ছেদ স্থগিতাদেশ ৰখাৰ আদেশ দিছে। গতিকে আমি মুছলিম ছাত্ৰ সন্থা অসমে ভুমি হীন লোকক ভুমি প্ৰদান কৰা আৰু উচ্ছেদৰ পুৰ্বে সংস্থাপনৰ ব্যৱস্থা কৰাৰ দাবী জনাইছোঁ। অন্যান্য মুছলিম ছাত্ৰ সন্থা অসমে পুনৰ গণতান্ত্ৰিক আন্দোলন কাৰ্যসূচী ৰূপায়ন কৰাৰ বাধ্য হ'ম।

# 'অমৃত প্ৰবাহ'

প্ৰেছ ক্লাব অসমৰ সাধাৰণ সম্পাদক, অমৃত প্ৰবাহ কাকতৰ সম্পাদক তথা সমিতিৰ মুখ্য সমন্বয়ক হীৰেন চন্দ্ৰ কলিতাই। সহযোগ কৰে জ্যেষ্ঠ সাংবাদিক তথা গণ সংবাদ কাকতৰ কাৰ্যবাহী সম্পাদক চন্দ্ৰ কুমাৰ শইকীয়া, প্ৰাক্তন ভাৰতীয় প্ৰশাসনিক বিষয়া তথা সমিতিৰ উপসভাপতি দেৱজ্যোতি হাজৰিকা, সমিতিৰ সহকাৰী সম্পাদক কৃষ্ণ কাকতি, সমিতিৰ মঞ্চ সম্পাদক লক্ষী কলিতা আৰু উপদেষ্টা তথা কৰ বিভাগৰ উপ আয়ুক্ত তপন কলিতাই।

# আহমেদাবাদ ট্ৰেজেডীৰ আঁৰত

কৰ্মীসকলৰ। গতিকে এই ঘটনা সন্দৰ্ভত তদন্ত চলালে গুৰুত্বপূৰ্ণ তথ্য পোহৰলৈ আহিব বুলি ধাৰণ কৰা হৈছে। ইতিমধ্যে এয়া এক কুটাঘাতী কাণ্ড হ'ব পাৰে বুলি তদন্তকাৰী সংস্থাসমূহৰ মাজতো বিষয়টোক লৈ সৃষ্টি হৈছে কৌতুহল। ইফালে এই দুৰ্ঘটনাৰ পিছতে বিমানখনৰ উদ্ধাৰ হোৱা ব্লেকবক্সৰ তথ্যৰ ওপৰত পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰিছে বিশেষজ্ঞ সকলে। ইতিমধ্যে বিমানখনৰ দুৰ্ঘটনাক লৈ এয়াৰক্ৰাফ্ট এক্সিডেন্ট ইনভেষ্টিগেচন ব্যুৰ' (এএআইবি)-এ তদন্ত আৰম্ভ কৰিছে। সংস্থাটোৰ তদন্তৰ আওতালৈ আহিব বিমানখনৰ সৈতে জড়িত সকলো কৰ্মী। গতিকে বিমানখন উৰণৰ পূৰ্বে পৰীক্ষা কৰাৰ ক্ষেত্ৰত যিসকল বিদেশী কৰ্মী জড়িত আছিল সকলোকে তদন্তৰ আওতালৈ আনিব সংস্থাটোৱে। অকল এএআইবিয়েই নহয়, অসামৰিক উৰণ সঞ্চালকালয় (ডিজিচিএ), অসামৰিক উৰণ নিৰাপত্তা ব্যুৰ' (বিচিএছ) আদিয়ে স্পষ্ট কৰি দিছে যে কেইবাটাও পৰ্যায়ত গ্ৰাউণ্ড হেণ্ডলিং ষ্টাফৰ কৰ্মীসকলক জেৰা কৰা হ'ব। বিশেষকৈ চেলেবীৰ কৰ্মীসকলক তদন্তৰ আওতালৈ অনাৰ সিদ্ধান্ত লৈছে ডিজিচিয়ে। স্মৰ্তব্য যে ৬, ০০০ ফুট উচ্চতালৈ গৈ বিমানখন ভাঙি পৰিছিল। এই বিমানখন এনেদৰে দুৰ্ঘটনাত পতিত হোৱাৰ মাত্ৰ কেইছেকেণ্ডমান পূৰ্বে পাইলটে এটিচিলৈ সহায়ৰ বাৰ্তা প্ৰেৰণ কৰিছিল। বিমানখনৰ যান্ত্ৰিক ব্যৱস্থা বিকল হোৱা বুলি এই বাৰ্তাত উল্লেখ কৰা হৈছিল। পাইলটৰ এই বাৰ্তাই বিমানখন যে উৰণৰ বাবে উপযুক্ত নাছিল সেই কথা স্পষ্ট কৰি দিছে। গতিকে ইয়াতেই সন্দেহৰ আৱৰ্তলৈ আহে গ্ৰাউণ্ড হেণ্ডলিং ষ্টাফ। স্বাভাৱিকতে তুৰস্কৰ কৰ্মীসকলৰ প্ৰতি এইক্ষেত্ৰত বিভিন্ন মহলৰ সন্দেহৰ আঙুলি উঠিছে। লক্ষণীয় বিষয়টো হৈছে বিমান দুৰ্ঘটনাৰ পিছতে বিভিন্ন মহলে এয়াৰ ইণ্ডিয়াৰ এই বিমানখনৰ প্ৰয়োজনীয় পৰীক্ষা কৰা হোৱা নাছিল বুলি অভিযোগ আনিছে। গতিকে এই শিহৰণকাৰী দুৰ্ঘটনা কুটাঘাত হ'ব পাৰে বুলি আশংকা কৰা হৈছে।

# আদ্যশ্ৰাদ্ধত পিতৃৰ অভিযোগ

কয় যে এই ঘটনাৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে দোষীক শাস্তি দিব লাগে। নম্ৰতাৰ লগত উক্ত দিনা গাড়ীত থকা ৪ বন্ধু ক্ৰমে প্ৰজ্ঞা, মৃগাংক, গায়ত্ৰী আৰু আনায়াতুলে নম্ৰতাক হত্যা কৰিছে। উল্লেখ্য যে নম্ৰতা বৰাৰ আদ্যশ্ৰাদ্ধ উপলক্ষে তেওঁৰ বাসগৃহত স্থানীয় বিধায়ক তথা কৃষিমন্ত্ৰী অতুল বৰা উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে নম্ৰতা বৰাৰ পিতৃক সাক্ষাৎ কৰি এই দুৰ্ঘটনাৰ ক্ষিপ্ৰগতিত তদন্ত আগবাঢ়ি যোৱাৰ কথা উল্লেখ কৰে। তদুপৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মেঘালয় চৰকাৰৰ সৈতে যোগাযোগ কৰি ব্যৱস্থা গ্ৰহণ কৰা বুলিও পিতৃক অৱগত কৰে মন্ত্ৰীগৰাকীয়ে। উল্লেখ্য যে স্থানীয় বিধায়ক তথা মন্ত্ৰী অতুল বৰাই নম্ৰতা বৰা দুৰ্ঘটনাত পতিত হোৱাৰ পিছৰে পৰা সঘনাই যোগাযোগ ৰাখিছে পৰিয়ালটোৰ সৈতে। আদ্যশ্ৰাদ্ধৰ দিনা উপস্থিত হৈ মন্ত্ৰীগৰাকীয়ে পৰিয়ালটোক তথা পিতৃ ৰমেন বৰাক অনাগত দিনত সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিয়ে।

# ২৭ বছৰীয়া অপেক্ষাৰ অৱসান

প্ৰটিয়াজ বাহিনীয়ে বিজয় প্ৰায় নিশ্চিত কৰি তুলিছিল। কেংগাৰু বাহিনীয়ে জয়ৰ বাবে বান্ধি দিয়া ২৮২ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি এইডেন মাৰ্কৰামৰ অপৰাজিত ১০২ আৰু অধিনায়ক টেম্বা বাভুমাৰ অপৰাজিত ৬৫ ৰানৰ সহায়ত দক্ষিণ আফ্ৰিকাই তৃতীয় দিনা দুটা উইকেট হেৰুৱাই ২১৩ ৰান সংগ্ৰহ কৰি মেচখনত নিশ্চিত বিজয়ৰ দিশে আগবাঢ়িছিল। জয়ৰ বাবে আৰু মাত্ৰ ৬৯ ৰানৰ প্ৰয়োজনৰ সময়তে তৃতীয় দিনৰ খেলৰ সমাপ্তি ঘটিছিল। হাতত আঠটা উইকেট থকা অৱস্থাত ৬৯ ৰানৰ জয়ৰ লক্ষ্যৰে ইনিংছ মুকলি কৰিবলৈ আহি প্ৰটিয়াজ বাহিনীয়ে প্ৰয়োজনীয় ৰানখিনি সংগ্ৰহ কৰি ডব্লিউটিচিৰ খিতাপ জয় কৰাই নহয়, ইতিহাসো ৰচনা কৰে। মেচখনত দক্ষিণ আফ্ৰিকাই অষ্ট্ৰেলিয়াক ৫ উইকেটেত পৰাস্ত কৰে। আগদিনা ১০২ ৰানত বেটিং কৰি থকা মাৰ্কৰামে ১৩৬ ৰানত বিদায় লয়। ইফালে, আগদিনা ৬৫ ৰানত ক্ৰিজত থকা বাভুমাই মাত্ৰ ১ ৰান কৰিয়েই বিদায় লয়। অৱশ্যে ডেভিদ বেডিংহামে মাৰ্কৰামৰ সৈতে লগ লাগি দলৰ জয় নিশ্চিত কৰি তোলে। বেডিংহামে ২১ ৰান কৰি অপৰাজিত হৈ থাকে। ভেৰেনীয়ে চাৰি ৰানত নটআউট হৈ থকাৰ বিপৰীতে ষ্টাবছে ৮ ৰান কৰি বিদায় লয়। অষ্ট্ৰেলিয়াৰ হৈ মিচেল ষ্টাৰ্কে সৰ্বাধিক তিনিটা উইকেট লাভ কৰে। মেচখনত দক্ষিণ আফ্ৰিকাৰ জয়ত মুখ্য ভূমিকা লোৱা মাৰ্কৰামে শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে।

# ধুবুৰীত আইন-শৃংখলা পৰিস্থিতিক

সন্মুখতো শেহতীয়াকৈ গো-মাংস পেলাই থৈ গৈছে। গৰু কুৰ্বানিৰ বাবে অনা হয়। কিন্তু গৰুক অস্ত্ৰ হিচাপে এচাম লোকে ব্যৱহাৰ কৰিছে। তেওঁলোকে ভাবে ইয়াত গৰু মাংস পেলাই থৈ গ'লে হিন্দু মানুহখিনিয়ে ঘৰ-মাটি বিক্ৰী কৰি গুচি যাব। কোনো কাৰণতে আমাৰ চৰকাৰৰ দিনত এয়া মানি লোৱা নহ'ব। কোনাবা এজন-দুজন লোকে গোটেই পৰিৱেশটো বিনষ্ট কৰিছে। অহা ঈদত মই নিজেই ধুবুৰীত উপস্থিত থাকিম। গোটেই ৰাতি হনুমান মন্দিৰত বহি থাকিম। কোনো কাৰণতেই ধুবুৰীৰ আইন-শৃংখলা হাতৰ বাহিৰলৈ যাব দিয়া নহয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে যে ধুবুৰীত গো-মাংস ব্যৱসায়ৰ এক নতুন চক্ৰ গঢ় লৈ উঠিছে। এইবাৰ ঈদৰ সময়ত হাজাৰ হাজাৰ গৰু ক্ৰয় কৰা হৈছিল। ইতিমধ্যে ইয়াক তদন্ত কৰিবলৈ দিয়া হৈছে। পূৰ্বে পশ্চিমবংগৰ পৰা ইমানসংখ্যক গৰু অহা নাছিল। কোনে ব্যৱসায়টো আৰম্ভ কৰিছে তাৰ তদন্ত কৰা হ'ব আৰু দোষীক গ্ৰেপ্তাৰ কৰা হ'ব। ইফালে ঈদৰ আগদিনা ধুবুৰীত বিতৰ্কিত পোষ্টাৰিঙক লৈও মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ধুবুৰীৰ বৰলুইতৰ পাৰৰ নেতাই ধুবুনী পাৰঘাটৰ পৌৰসভাৰ উদ্যানৰ বেৰত যি পোষ্টাৰিং কৰা হৈছিল, সেয়াও তদন্ত কৰি থকা হৈছে। এক চক্ৰই ধুবুৰীক বাংলাদেশৰ লগত চামিল কৰিব লাগে বুলি পোষ্টাৰ মাৰিছে। এই পোষ্টাৰত নবীন বাংলাদেশ, নিউ বাংলাদেশ বুলি কিছুমান সাংকেতিক কথাও লিখিছে। ইয়াৰ দ্বাৰা স্পষ্ট হৈছে যে ধুবুৰীত এটা সাম্প্ৰদায়িক শক্তি সক্ৰিয় হৈ আছে। সেয়েহে আজি ধুবুৰী ভ্ৰমণ কৰি সমগ্ৰ বিষয়টো পৰ্যালোচনা কৰিলোঁ মই। অহা সময়ছোৱাত ধুবুৰীৰ আইন-শৃংখলাৰ বিষয়টোত আৰক্ষী অধিক কঠোৰ হ'ব। নিশা শ্যুট এট ছাইট নিৰ্দেশ দিয়া হৈছে। যিয়ে শিল মাৰিব, আৰক্ষীয়ে সন্দেহ কৰিলে তাক গুলী মাৰিব পাৰিব। তদুপৰি ৰেপিড একচন ফ'ৰ্চ, চিআৰপিএফো মোতায়েন কৰা হ'ব জিলাখনত। ধুবুৰীত যিমান জামিনবিহীন অপৰাধী আছে, তেওঁলোকক গ্ৰেপ্তাৰ কৰাৰো নিৰ্দেশ দিয়া হৈছে। এই ভ্ৰমণৰ সময়ত আৰক্ষী মহাপৰিদৰ্শক (আইন-শৃংখলা) অখিলেশ সিং, জিলা আয়ুক্ত দিবাকৰ নাথ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক নবীন সিঙৰ লগতে শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

# মুখ্যমন্ত্ৰীৰ 'শ্যুট এট ছাইট'ৰ

অশান্ত কৰিব বিচৰা ৪০জনৰো অধিক অপৰাধীক গ্ৰেপ্তাৰ কৰিছে। জিলাখনৰ ধুবুৰী সদৰ, তামাৰহাট, গৌৰীপুৰ, আগমনি, চাপৰ, বিলাসীপাৰা, সাপটগ্ৰাম আৰু গোলকগঞ্জত অভিযান চলাই এইসকল অপৰাধীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীৰ ভ্ৰমণৰ পাছতে ধুবুৰীৰ পৰিৱেশ যথেষ্ট সলনি হৈছে। উল্লেখ্য যে জিলাখনৰ আইন - শৃংখলা পৰিস্থিতিক লৈ মুখ্যমন্ত্ৰীৰ নেতৃত্বতে অনুষ্ঠিত হৈছিল এক গুৰুত্বপূৰ্ণ বৈঠক। এই বৈঠকতে শেহতীয়াকৈ বাংলাদেশৰ পৰা অহা এচাম দুষ্কৃতিকাৰীয়ে যে জিলাখনৰ পৰিৱেশ বিনষ্ট কৰাৰ বাবে উঠিপৰি লাগিছে সেই বিষয়টোও আলোচনা হৈছিল। এই আলোচনাৰ পাছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই শ্যুট এট ছাইটৰ নিৰ্দেশ দিছিল।

# ধৰ্ষণকাৰীৰ বিৰুদ্ধে 'শ্যুট

কটাই বেলি ওলোৱাৰ লগে লগে পুনৰ আৰম্ভ হয় যাত্ৰাৰ। এই যাত্ৰাৰ মাজতে অসমত প্ৰৱেশ কৰাৰ সময়ত তেওঁৰ সৈতে কমলপুৰত সাক্ষাৎ হৈছিল এটা সাংবাদিক দলৰ লগত। দুই কন্যাক বিদ্যালয়ৰ সলনি কিয় এই যাত্ৰাৰ অংশীদাৰ কৰা হ'ল এই প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে দুয়োগৰাকী কন্যাই মোবাইলত অনলাইনযোগে অধ্যয়ন কৰি আছে। ২০২৫ বৰ্ষতে এই যাত্ৰাৰ সমাপ্তৰ পিছত পুনৰ দুয়োগৰাকীয়ে বিদ্যালয়লৈ যাব আৰু আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিব। ২০২৩ চনৰ জানুৱাৰী মাহত গোৱা, দমন ডিউত আৰম্ভ কৰা হৈছিল ভাৰত ভ্ৰমণৰ যাত্ৰা। অন্ত পৰিব অৰুণাচলৰ চীন সীমান্তত। ইয়াৰ মাজতে বিষয়াগৰাকীয়ে মনৰ ইচ্ছা ব্যক্ত কৰে এইদৰে- 'অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ এবাৰ সাক্ষাৎ হ'ব পাৰিলে নিজকে ধন্য হোৱাৰ লগতে তেওঁৰ উদ্দেশ্য আৰু লক্ষ্য বহুখিনিয়ে ফলপ্ৰসূ হ'ব।' প্ৰাক্তন নৌ সেনা বিষয়া অনিল চৌহানৰ এই যাত্ৰা আৰু আশা সফল কামনা কৰিলোঁ আমিও।

# Caring vs Dominating

এনেকুৱা 'Dominating Negative Character' অৰ বাবেই বহু পৰিয়াল আমাৰ চকুৰ সন্মুখত নিঃশেষ হৈ গৈছে? 'Dominating Character' অৰ পাল্লাত পৰি এক অব্যক্ত বেদনাৰে নিজকে নিঃশেষ কৰি দিবলৈ কুণ্ঠাবোধ নকৰা হৈছে কেও কিছুৱে। মৰমৰ ভাষা সকলোৱে বুজে। অধিপত্য বা প্ৰভুত্ব খটুৱালে গৈ আমি আমাৰ সৰ্বনাশ নিজেই মাতি আনো। এখন সুখৰ সংসাৰ নিজ হাতে ধ্বংস কৰি পেলাও।

বহুতো বিবাহ বিচ্ছেদ, পৰকীয়া প্ৰেম, আত্মহত্যাৰ আন এক প্ৰধান কাৰণ পতি পত্নীৰ একোটা 'Dominating Character' নেকি বাৰু?

পিছে আপুনি? Caring নে Dominating?

# শান্তিপুৰত অভিনন্দন

পৰিষদ তথা অসম মহিলা পৰিষদৰ সভানেত্ৰী পূৰবী তালুকদাৰ, অসম যুৱ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক তথা মধ্য গুৱাহাটী যুৱ পৰিষদৰ সভাপতি সুশান্ত দেৱ চৌধুৰী, মধ্য গুৱাহাটী বিধান পৰিষদৰ সহ সম্পাদক মুকুট কলিতা, মধ্য গুৱাহাটী মহিলা পৰিষদৰ সভানেত্ৰী গীতাৰাণি কলিতা, সহ সম্পাদিকা জয়া দাস, ১২নং ৱাৰ্ডৰ যুৱ পৰিষদৰ সভাপতি ভাৰ্গৱ শৰ্মা, সম্পাদক সুনীল দাস, দিবাকৰ ৰাজবংশী, ৰৰনং ৱাৰ্ডৰ যুৱ পৰিষদৰ সভাপতি জাভেদ আলী, শেখৰ সিং, শঙ্কৰ পাল, ১৩ নং ৱাৰ্ডৰ ৰতন পাল উপস্থিত থাকে।

# আহমেদাবাদ বিমান

হোৱা বুলি নিশ্চিত হয়। বিমানবন্দৰৰ সমীপত মেধানী নগৰৰ বিজে মেডিকেল কলেজ হোষ্টেলত বিমানখনে খুন্দা মাৰি বিস্ফোৰণ ঘটাত অঞ্চলটোৰ অৰ্থাৎ কলেজ হোষ্টেলকে ধৰি ওচৰৰ কেইবাজনো লোক হতাহত হৈছিল। শুক্ৰবাৰে বিজে মেডিকেল কলেজৰ এমবিবিএছ শিক্ষাৰ্থী, চিকিৎসকসহ আন ৫৬জন লোকৰ মৃত্যু হোৱা বুলি নিশ্চিত কৰাত এই বিমান দুৰ্ঘটনাত মৃতকৰ সংখ্যা ২৯৭লৈ বৃদ্ধি পায়। এয়াৰ ইণ্ডিয়াৰ বিমানখন আৱাসিক এলেকাত খুন্দা মাৰি বিস্ফোৰণ ঘটাত অঞ্চলটোত বিস্তৰ ক্ষতিসাধন হৈছে। ঘটনাস্থলীত নিয়াৰ দল উপস্থিত হৈ তদন্ত আৰম্ভ কৰাৰ লগতে ফৰেনছিক বিশেষজ্ঞৰ দলো উপস্থিত হৈছে। ইপিনে বিমানখনে খুন্দা মৰা মেডিকেল কলেজৰ ছাদত এটা ব্লেকবক্স উদ্ধাৰ কৰা হৈছে। এয়াৰ ইণ্ডিয়াৰ বিমান এআই ১৭১ৰ ব্লেকবক্সটো অগ্নিনিৰ্বাপক বাহিনীৰ বিষয়া আৰু দল এটাই বিশেষ যন্ত্ৰৰ দ্বাৰা দুৰ্ঘটনাস্থলীৰ পৰা হোষ্টেলৰ ছাদৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। এই ব্লেকবক্সটো উদ্ধাৰ হোৱাৰ পিছতেই বিমানখনৰ দুৰ্ঘটনাক লৈ বিভিন্ন তথ্য জানিব পৰা যাব।

## ENGLISH NEWS SECTION

# Governor inaugurates 26th National Conference of Practising Company Secretaries

Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya inaugurated the 26th National Conference of Practising Company Secretaries today at a city hotel in Guwahati. The two day conference, organized by the Institute of Company Secretaries of India (ICSI), brought together leading professionals from across the country to deliberate on the evolving role of company secretaries in modern governance and corporate management. In his inaugural address, Governor Shri Acharya hailed the conference as more than just an annual gathering. He said that the conference is a testament to the reaffirmation of ICSI's commitment to shaping a corporate India built on the principles of transparency, fairness, and ethical integrity. Highlighting the significance of the event coinciding with Practising Company Secretaries Day on 15th June, the Governor hailed the historic milestone of 1988, when Practising Company Secretaries were granted statutory recognition to certify annual returns. "That day not only marked professional acknowledgment but also the beginning of a profound responsibility, " he said, extending his warmest congratulations and best wishes to the fraternity. Reflecting on the growth of the profession, Governor Shri Acharya noted that the role of Company Secretaries has evolved from reviewing legal documents to



becoming strategic advisors, risk managers, and custodians of data protection. He also underlined the crucial role Company Secretaries play in India's transformation into a global economic power. "Through your commitment to ethical governance, you enhance investors' confidence, institutional strength, and economic resilience, " he said. Quoting Prime Minister Shri Narendra Modi, the Governor remarked, "When governance is transparent, trust increases. And when trust increases, the nation progresses."

# Governor presents Srimanta Sankardeva Award 2023 to Dr. Sonal Mansingh



Guwahati, RB News: In a grand celebration of art, culture, and spiritual heritage, Assam Governor Shri Lakshman Prasad Acharya conferred Srimanta Sankardeva Award 2023 on Padma Vibhushan Dr. Sonal Mansingh, one of India's most distinguished classical dancers, at a ceremonial event held at Srimanta Sankardeva Kalakshetra here today in the presence of Chief Minister Dr. Himanta Biswa Sarma, Union Minister Shri Sarbananda Sonowal and other eminent dignitaries. In his address, Governor Shri Acharya paid rich tributes to Srimanta Sankardeva, describing him a spiritual luminary and cultural reformer who transcended regional boundaries to become a national symbol of unity, harmony, and inclusiveness. "Srimanta Sankardeva was not just a saint of Assam or the NortheastÊ, he was a symbol of India's collective cultural consciousness, " said the Governor.Highlighting the saint's legacy, Governor Shri Acharya spoke on Sankardeva's role in advancing Neo-Vaishnavism or Ek Sarana Naam Dharma which promoted social equality and broke down caste hierarchies through devotion, art, music, drama, and philosophical thought. He further said that Mahapurush Srimnata Sankardeva's contributions such as Borgeet, Ankiya Naat, and his translations of the Bhagavata Purana—continue to shape Assam's cultural identity. The Governor also lauded the efforts of the Government of Assam in preserving and promoting the legacy of Srimanta Sankardeva through initiatives like the development of Batadrava Than, Patbausi Satra, Sankardeva Kalakshetra, and the institution of the Srimanta Sankardeva Chair in various educational institutions across the state and the country.

# Starc, Hazlewood record highest 10th-wicket partnership in ICC final history



RB News:Australia's Mitchell Starc and Josh Hazlewood on Friday recorded the highest 10th-wicket partnership in history of ICC men's tournament finals. The duo shared partnership of 59 runs in Australia's second innings in World Test Championship (WTC) 2023-25 final. The previous record was held by Australia's Dennis Lillee and Jeff Thomson, who shared a 41-run partnership in 1975 World Cup final.

# Shooter Samra bags bronze in women's 50m rifle at ISSF World Cup



RB News: India shooter Sift Kaur Samra won the bronze medal in the women's 50m rifle three positions final at the ISSF World Cup 2025 in Munich on Thursday. Samra, who holds the current world record in women's 50 metre rifle three positions event, scored 453.1 in the medal round. Norway's Jeanette Hegg Duestad clinched the gold medal, while Switzerland came second.

# Riyan Parag to lead Assam in five-match ODI series against Namibia



RB News: On Thursday, June 12, the Assam Cricket Association announced 24-member squad for the upcoming tour of Namibia, which is set to commence from June 21. India all-rounder, Riyan Parag will be leading his state team, which also includes Denish Das, Akash Sengupta and Parvej Musaraf. On the other hand, Gerhard Erasmus will be captaining his national side.

# আমৰ বতৰ



এতিয়া গ্ৰীষ্মকাল, চৌদিশে কেচা-পকা আমেৰে বজাৰ ভৰি পৰা দেখা যায়। লগতে সকলোৰে প্ৰিয় আমৰ বতৰত ঠাইভেদে গছত ওলমি থকা সৌন্দৰ্যটো অতিকৈ মোহনীয়। এই বতৰত যেন সকলো মানুহে সোৱাদ ল'ব ফলৰ ৰজা আমৰ। পকা আমৰ সোৱাদ সকলোৰে জিভাত লাগে, পিছে সোৱাদত কিছু টেঙা হ'লেও কেঁচা আমৰো আছে স্বাস্থ্যকৰ গুণাগুণ। আম পৃথিৱীৰ অন্যতম জনপ্ৰিয় আৰু সকলোৰে প্ৰিয় ফল। আমক "ফলৰ ৰজা" নামেৰে জনাজাত কিন্তু ই সুস্বাদু গুণৰো অধিকাৰী। মানুহৰ শৰীৰৰ বাবে দৈনন্দিন প্ৰয়োজনীয় খাদ্য সম্ভাৰৰ ভিতৰত আমেও সুস্বাদু অংশ এটা দশল কৰি আহিছে। আকৌ ফলমূলৰ উপকাৰিতাৰ বিষয়ে নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। আম গছেও প্ৰখৰ ৰ'দৰ পৰা ছাঁ দিয়ে, যাৰ ফলত ইহঁত উদ্যান, বাগিচা, পুখুৰীৰ পাৰত আৰু অন্যান্য বাহিৰৰ ঠাইত ৰোপণৰ বাবে আদৰ্শ হৈ পৰে। আম গছৰ জোপোহা পাতবোৰেও গৰমৰ দিনত শীতল আৰু আৰামদায়ক কৰি তাৰ তলত মানুহে জিৰণি লৈও এক শীতল পৰিৱেশৰ সৃষ্টি কৰাত সহায় কৰে। আমৰ গছ কাঠৰ বাবে এক মূল্যৱান উৎস। আম গছৰ কাঠ মজবুত হোৱাৰ বাবে ইয়াক আচবাব, আৰু অন্যান্য কাঠৰ কামত ব্যৱহাৰৰ বাবেও উপযোগী কৰি তোলে। আমি ক'ব পাৰো যে আমৰ গছ কেৱল সুস্বাদু ফলৰ বাবেই মূল্যৱান নহয়, ইয়াক বহুতে ঔষধৰ বাবেও ব্যৱহাৰ কৰা দেখা যায়।

**বিশ্বজিৎ বৈশ্য,বংশৰ, শুৱালকুছি**




ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286